# অন্বেষণ

অষ্টম বছৰ ■ সপ্তম সংখ্যা ■ আগষ্ট, ২০২১



## জীৱজগতৰ সৌন্দৰ্য্যৰ ৰহস্য

## শিশুৰ ক'ভিড আৰু ক'ভিডৰ তৃতীয় লহৰ





## কোপা আমেৰিকা আৰু ইউৰো কাপ

## 'অসমৰ ফুল' লেখাটোৰ লগত সম্পৰ্কিত ছবি



গধূলি গোপাল



পদুম




ফ'ৰ্ডৰ মুখ্য কাৰ্য্যালয়

# অন্বেষণ

**অষ্টম বছৰ, সপ্তম সংখ্যা, আগষ্ট ২০২১ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **শিশুৰ ক'ভিড আৰু ক'ভিডৰ তৃতীয় লহৰ**
■ ডা° নাৰায়ণ শৰ্মা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **জীৱজগতৰ সৌন্দৰ্য্যৰ ৰহস্য আৰু এলেন টুৰিং**
■ ড° ধৃতি মহন্ত

১০ **আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স**
■ জাহ্নৱী বৰুৱা

১২ **পক্ষীবিদ ড° ছালিম আলী**
■ যুথিকা পাটোৱাৰী

১৩ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৯ **চুড'কু**

২০ **ফ'ৰ্ড মটৰ কোম্পানী**
■ মন্দিৰা শৰ্মা

২১ **ভাৰতৰ পেট্ৰ'লিয়াম উদ্যোগৰ ইতিহাস**
■ হিমাদ্ৰী বৰা

২২ **ইউৰো কাপ প্ৰতিযোগিতা**
■ ডিম্পল তালুকদাৰ

২৪ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৫ **Stories from Shakespeare's Plays**
■ Bhaktimala Saikia

২৬ **Did You Know**
■ Dimple Talukdar

২৭ **ধুবুৰী-ফুলবাৰী দলং**
■ চন্দনা মেধি চৌধুৰী

২৮ **বিটল্‌ছ**
■ বিকাশ তালুকদাৰ

২৯ **কুইজ**
■ সীমান্ত কলিতা

৩০ **আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকৰ ইতিহাস**
■ অপৰ্ণা দেৱী

৩১ **লোকপিয়লৰ কথা**
■ অভিজিত শৰ্মা বৰুৱা


**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# শিশুৰ ক'ভিড আৰু ক'ভিডৰ তৃতীয় লহৰ

■ ডা° নাৰায়ণ শৰ্মা



ক'ভিডৰ আগত তৃতীয় লহৰ আৰু এই লহৰত শিশুসকলে সন্মুখীন হ'ব পৰা ক্ষতি সম্পৰ্কীয় বিষয়বোৰ সম্প্ৰতি বেছিকৈ চৰ্চিত হৈছে। এনে চৰ্চাই স্বাভাৱিকতে সৰ্বাধিক চিন্তিত আৰু কিছু পৰিমাণে আতংকিত কৰি তুলিছে পৰিয়ালৰ জ্যেষ্ঠসকলক। এটা কথা নিশ্চিত যে ক'ভিডৰ তৃতীয় লহৰৰ আগমনৰ ক্ষেত্ৰত এতিয়া আৰু কোনো 'যদি' বা 'কিন্তু'ৰ স্থান নাই। তৃতীয় লহৰ অৱধাৰিত বুলি সকলো বিশ্লেষণ আৰু সমীক্ষাই স্পষ্ট ইংগিত দিছে। প্ৰশ্নটো বাকী ৰৈছেগৈ 'কেতিয়া' আহিব সেই কথাটোতহে। বিভিন্ন সমীক্ষাই তৃতীয় লহৰৰ আগমনৰ সময়ৰ ক্ষেত্ৰত বিভিন্ন সময়সীমাৰ কথা উল্লেখ কৰিছে। এছ বি আইৰ সমীক্ষাত আগষ্টৰ পৰা, ৰয়টাৰৰ সমীক্ষাই অক্ট'বৰৰ পৰা আৰু আই চি এম আৰৰ সমীক্ষাই নৱেম্বৰ-ডিছেম্বৰৰ পৰা তৃতীয় লহৰৰ আৰম্ভণিৰ সম্ভাৱনা ব্যক্ত কৰিছে। প্ৰায়বোৰ সমীক্ষাৰ পৰা অহা ইতিবাচক ইংগিতটো হ'ল—তৃতীয় লহৰৰ ভয়াবহতা আৰু ব্যাপকতা দ্বিতীয় লহৰৰ দৰে হোৱাৰ আশংকা কম। কিন্তু এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ কাৰকবোৰ হ'ব—কিমান দ্ৰুতগতিত কিমানসংখ্যক মানুহক ভেকচিন দিয়া হয়; জনসাধাৰণে ক'ভিড উপযোগী আচৰণ (Covid Appropriate Behaviour, CAB) কিমানখিনি মানি চলে, লকডাউন শিথিলকৰণৰ নীতি-নিয়মসমূহ কিমান পৰিকল্পিতভাৱে কৰা হয়; ক'ৰোনা ভাইৰাছৰ নতুন নতুন উৎপৰিৱৰ্তনে কেনে ৰূপ লয় ইত্যাদি।

শিশুসকলৰ (জন্মৰ পৰা ১৮ বছৰলৈ) ক্ষেত্ৰত ক'ভিড-১৯ৰ সংক্ৰমণ, বিভিন্ন লক্ষণ, জটিলতা তথা দ্বিতীয় আৰু তৃতীয় লহৰে পেলাব পৰা প্ৰভাৱ বা ক্ষতি সম্পৰ্কে কিছু কথা থূলমূলকৈ দাঙি ধৰিবলৈ বিচাৰিছোঁ।

মূলতঃ ক'ভিডৰ প্ৰথম লহৰৰ তথ্য-পাতিৰ বিশ্লেষণে দেখুৱাইছে যে সমগ্ৰ বিশ্বজুৰি ক'ভিড-১৯ত আক্ৰান্ত (পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত) কেইবা নিযুত লোকৰ ভিতৰত শিশুৰ আক্ৰান্তৰ হাৰ আছিল ৫ শতাংশতকৈ কম। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ২০২০ চনৰ ছেপ্টেম্বৰত প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতত 'ক'ভিড চিনাক্ত' লোকসকলৰ ভিতৰত ১৭ বছৰ অনুৰ্ধ্ব শিশুৰ সংখ্যা আছিল ৮ শতাংশ। এনে শিশুসকলৰ ভিতৰত হাস্পতালত তথা আই চি ইউত ভৰ্তি কৰিবলগীয়া শিশুৰ সংখ্যা আছিল তেনেই কম। মৃত্যুৰ হাৰ আছিল ০-০.৭ শতাংশ। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে পৰিসংখ্যাৰ কথাটো একমাত্ৰ আলোচনাৰ স্বাৰ্থতহে। প্ৰতিটো মৃত্যুৰ ঘটনাই অনাকাংক্ষিত, বেদনাদায়ক আৰু সংশ্লিষ্ট পৰিয়ালৰ বাবে এক জীৱনজোৰা ক্ষত-চিহ্ন।

উল্লিখিত তথ্যখিনি উল্লেখ কৰাৰ কাৰণ এটাই যে ক'ভিডৰ তৃতীয় লহৰ বা তাৰ পিছতো আহিব পৰা পৰৱৰ্তী লহৰবোৰত শিশুসকল অধিক হাৰত আক্ৰান্ত হ'ব বুলি আৰু সেয়া ভয়াবহ হ'ব বুলি যি প্ৰচাৰ চলিছে, সেই সম্পৰ্কে আমাৰ এক শুদ্ধ আৰু বিজ্ঞানসন্মত ধাৰণা থকাটো প্ৰয়োজনীয়। আশাপ্ৰদ কথা এইটোৱে যে

এনে প্ৰচাৰ, অপপ্ৰচাৰবোৰৰ সপক্ষে বস্তুনিষ্ঠ কোনো যুক্তি নাই। সাধাৰণভাৱে ক'ব পৰা কথাটো এয়ে যে শিশুৰ ক্ষেত্ৰত ক'ভিডৰ সংক্ৰমণৰ হাৰ ডাঙৰৰ তুলনাত যথেষ্ট কম, বেছিভাগৰেই কোনো লক্ষণ ফুটি নুঠে, লক্ষণ থাকিলেও সেয়া অতি মৃদু (Mild) ধৰণৰ হয়। ক'ভিড আক্ৰান্ত শিশুৰ বিষয়ে এইখিনি কথা সকলোৰে জানি থোৱা দৰকাৰ, যেনে—অধিকাংশ ক'ভিড পজিটিভ শিশুৰ কোনো লক্ষণ নাথাকে; মৃদু পৰ্য্যায়ত সাধাৰণ জ্বৰ, কাহ, চৰ্দি, মূৰৰ বিষ, বমি, ডায়েৰিয়া, আভোক আদি লক্ষণ থাকিব পাৰে; মজলীয়া (moderate) ধৰণৰ লক্ষণবোৰ হ'ল—মৃদু লক্ষণবোৰৰ লগতে উশাহৰ কষ্ট আৰু খৰকৈ লোৱা শ্বাস-প্ৰশ্বাস। অতি গুৰুতৰ (Severe) পৰ্য্যায়ত উল্লিখিত লক্ষণবোৰৰ লগতে উশাহ-নিশাহৰ অতিপাত কষ্ট, ওঁঠ-জিভা নীলা পৰি যোৱা, লেবেজান বা অজ্ঞান হৈ পৰা ইত্যাদি। সৌভাগ্যক্ৰমে গুৰুতৰ ধৰণৰ লক্ষণত আক্ৰান্ত শিশুৰ সংখ্যা ১-৩ শতাংশ।

শেহতীয়াকৈ ক'ভিড আক্ৰান্ত শিশুৰ ক্ষেত্ৰত নতুনকৈ চিনাক্ত হোৱা এক গুৰুতৰ উপসৰ্গ হৈছে এম আই এছ চি (Multisystem Inflammatory Syndrome in Children, MISC)। ক'ভিড সংক্ৰমিত হৈ আপাততঃ সুস্থ হৈ উঠাৰ পাছতো এনে জটিল উপসৰ্গই দেখা দিয়ে, য'ত মগজু, হাৰ্ট, হাঁওফাঁও, কিডনী, তেজৰ নলী, খাদ্যনলী, তন্ত্ৰ, চকুকে ধৰি শৰীৰৰ বিভিন্ন অংগ আক্ৰান্ত হয়। আক্ৰান্ত হোৱা অংগ অনুসৰি বিভিন্ন ধৰণৰ লক্ষণবোৰো পৰিস্ফুট হৈ উঠে। সঠিক পৰিসংখ্যা এতিয়ালৈকে ওলোৱা নাই যদিও এটা কথা ক'ব পাৰি যে এম আই এছ চিত আক্ৰান্ত শিশুৰ সংখ্যা তেনেই তাকৰ। তাৎক্ষণিকভাৱে সঠিক সময়ত চিকিৎসা আৰম্ভ কৰিব পাৰিলে এনে জটিল অৱস্থাৰ পৰাও শিশু সম্পূৰ্ণ সুস্থ হৈ উঠে।

লক্ষণবোৰৰ এক চমু আভাস কেৱল সতৰ্ক হৈ থকাৰ স্বাৰ্থতহে ইয়াত উল্লেখ কৰা হৈছে। সাম্প্ৰতিক সময়ত এনে যিকোনো সামান্যতম লক্ষণ দেখিলেই শিশুক চিকিৎসকৰ ওচৰলৈ নিয়া দৰকাৰ; মৃদু, মজলীয়া আৰু গুৰুতৰ আদি শ্ৰেণীবিভাগ কৰিবলৈ কোনেও যাতে ঘৰতেই অনুশীলন কৰি বহি নাথাকে।

ক'ভিডৰ তৃতীয় লহৰ সন্দৰ্ভত সততেই আলোচিত হৈ থকা আন এটি বিষয় হৈছে শিশুসকল তৃতীয় লহৰত বেছিকৈ আক্ৰান্ত হ'ব নেকি?

বিভিন্ন শেহতীয়া সমীক্ষাই এনে ধৰণৰ সম্ভাৱনাও অস্বীকাৰ কৰিছে। বিশ্বৰ অন্যতম সৰ্বশ্ৰেষ্ঠ বিজ্ঞান আলোচনী 'দি ল্যানচেট'ৰ (The Lancet) তৰফৰ পৰা ভাৰতবৰ্ষৰ ক'ভিড পৰিস্থিতিৰ অধ্যয়ন কৰিবলৈ 'The Lancet Covid-19 Commission India Task Force' নামৰ এটা কৰ্মদল গঠন কৰি দিছিল। দিল্লীৰ এইমছৰ অধ্যাপকসকলৰ নেতৃত্বত গঠিত এই কৰ্মদলটোৱে যোৱা জুন মাহত তেওঁলোকৰ প্ৰতিবেদন প্ৰকাশ কৰিছে। এই প্ৰতিবেদনত তেওঁলোকে উল্লেখ কৰিছে যে ক'ভিডৰ প্ৰথম আৰু দ্বিতীয় লহৰত আক্ৰান্ত শিশুৰ পৰিসংখ্যাৰ মাজত বিশেষ পাৰ্থক্য নাই; অধিকাংশ সংক্ৰমিত শিশু লক্ষণবিহীন বা মৃদু লক্ষণযুক্ত; সুস্থ হৈ উঠাৰ সম্ভাৱনা অধিক আৰু মৃত্যুৰ হাৰো কম। তদুপৰি পূৰ্বৰে পৰা আন ৰোগত ভুগি থকা শিশু, পুষ্টিহীনতাত ভোগা শিশু আদিৰ ক্ষেত্ৰত সংক্ৰমণ আৰু জটিলতাৰ সম্ভাৱনা বেছি। প্ৰতিবেদনত তেওঁলোকে স্পষ্টভাৱে ইয়াকো কৈছে যে তৃতীয় লহৰত শিশুসকল অধিক হাৰত আক্ৰান্ত হ'ব বুলি বা তেওঁলোকৰ ক'ভিড ৰোগ অধিক জটিল হ'ব বুলি ভৱিষ্যদ্বাণী কৰাৰ কোনো বিজ্ঞানসন্মত সাক্ষ্য-প্ৰমাণ নাই। এইমছ আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ যুটীয়া আন এক অধ্যয়নো যোৱা জুন মাহৰ ১৭ তাৰিখে প্ৰকাশ পাইছে। এই অধ্যয়নেও স্পষ্টকৈ কৈছে যে তৃতীয় লহৰত শিশুসকল অধিক হাৰত আক্ৰান্ত হ'ব বুলি ক'ব পৰাৰ কোনো বিজ্ঞানসন্মত ভিত্তি নাই। এই অধ্যয়নটোত ওলাই পৰা আন এক ইতিবাচক ফলাফল হৈছে শিশুসকলৰ মাজত ক'ভিডৰ বিৰুদ্ধে গঢ় লৈ উঠা ক'ভিড-১৯ প্ৰতিৰোধী এণ্টিব'ডিৰ সন্তোষজনক



পৰিমাণ, যাক ছিৰ'প্ৰিভেলেন্স (Seroprevalence) বুলি কোৱা হয়। বিভিন্ন ৰাজ্যৰ প্ৰায় দহ হাজাৰ শিশুৰ, যাৰ ক'ভিড আক্ৰান্ত হোৱাৰ কোনো প্ৰমাণ নাই, তেওঁলোকৰ শৰীৰৰ পৰা তেজৰ নমুনা সংগ্ৰহ কৰা হৈছিল। তাত ক'ভিড প্ৰতিৰোধী এণ্টিব'ডিৰ উপস্থিতি পৰীক্ষা কৰা হৈছিল। এণ্টিব'ডি হ'ল কোনো বীজাণুৱে আক্ৰমণ কৰিলে তাক প্ৰতিৰোধ কৰিবলৈ শৰীৰৰ নিজস্ব প্ৰতিৰক্ষা ব্যৱস্থাই গঢ়ি তোলা একো একোটা সৈনিক। উক্ত অধ্যয়নত দেখা গৈছে যে প্ৰায় পঞ্চাছ শতাংশৰ পৰা ঠাইবিশেষে ৭০-৯০ শতাংশ পৰ্য্যন্ত শিশুৰ শৰীৰত ক'ভিডৰ বিৰুদ্ধে এণ্টিব'ডি গঢ়ি উঠিছে। বহুতেই আশা কৰিছে যে এনে উচ্চ হাৰত সৃষ্টি হোৱা এণ্টিব'ডিৰ ফলত কিছুমান ঠাইত হয়তো ক'ভিডৰ তৃতীয় লহৰ প্ৰৱেশেই কৰিব নোৱাৰিব। অৱশ্যে এনে অত্যুৎসাহ সমৰ্থনযোগ্য নহয়। কাৰণ ঠাইভেদে ইয়াৰ তাৰতম্য থাকিব আৰু সতৰ্কতা আৰু সাৱধানতা আমি কোনোপধ্যে এৰি চলিব নোৱাৰো।

অসমত এই বছৰৰ এক এপ্ৰিলৰ পৰা ২৮ জুনলৈকে সংগৃহীত আৰু চৰকাৰীভাৱে প্ৰকাশিত তথ্য অনুসৰি ৰাজ্যখনত এই সময়ছোৱাত ক'ভিডত আক্ৰান্ত ২,৮০,৫০৪ গৰাকী ব্যক্তিৰ ভিতৰত শিশুৰ সংখ্যা ৩৪,০৬৬ গৰাকী; অৰ্থাৎ ১২ শতাংশ। আক্ৰান্ত শিশুসকলৰ ভিতৰত মৃত্যুমুখত পৰিছে ৩৪টা শিশু, অৰ্থাৎ মৃত্যুৰ হাৰ ০.১ শতাংশ (অৰ্থাৎ প্ৰতি এহাজাৰত এটা)।

প্ৰথম লহৰত আক্ৰান্ত শিশুৰ সংখ্যা আছিল ৮ শতাংশ। দ্বিতীয় লহৰত কিছু বৃদ্ধি হোৱাৰ কাৰণসমূহৰ ভিতৰত আছে আক্ৰান্ত জ্যেষ্ঠ ব্যক্তিসকল হোম কোৱাৰেণ্টাইনত থকা, যাৰ ফলত শিশুসকললৈ ক'ভিড সংক্ৰমিত হ'ল; সাম্প্ৰতিক ভাইৰাছৰ ষ্ট্ৰেইনটোৰ সংক্ৰমণৰ বৰ্দ্ধিত ক্ষমতা, যাৰ ফলত এজনৰ হ'লে পৰিয়ালৰ আটাইলৈকে বিয়পা, জ্যেষ্ঠসকলৰ বহুতেই ভেকচিন লোৱাৰ কাৰণে তুলনা-মূলকভাৱে ভেকচিন নোপোৱা শিশুসকল অধিক আক্ৰান্ত হোৱা; জ্যেষ্ঠসকলে হাটে-বজাৰে, অফিচ-কাছাৰীয়ে, আলি-পদূলিয়ে মাস্ক নিপিন্ধাকৈ বেপৰোৱাভাৱে ঘূৰি ফুৰি ক'ভিডৰ ভাইৰাছ ঘৰলৈ লৈ যোৱা, নিৰ্বাচন, বিহু, ৰাজনৈতিক আৰু অন্যান্য সমাবেশবোৰত ব্যাপক সমাগমেৰে দায়িত্বহীন আচৰণ কৰি ঘৰত থকা শিশুসকলক ক'ভিডৰ মুখলৈ ঠেলি দিয়া ইত্যাদি। অৰ্থাৎ শিশুৰ ক'ভিড বৃদ্ধিৰ বাবে জ্যেষ্ঠসকল বহু পৰিমাণে জগৰীয়া।

মূল গুৰুত্বপূৰ্ণ কথাটো হ'ল—তৃতীয় লহৰ, চতুৰ্থ লহৰ, বিভিন্ন পৰিসংখ্যা আদি সকলো কথা একাষৰীয়াকৈ থৈ আমি প্ৰত্যেকেই কৰিবলগীয়া আৰু কৰিব পৰা কামখিনি হৈছে সৰ্বাত্মক সতৰ্কতা আৰু সাৱধানতা অৱলম্বন। ক'ভিড কমি আহিছে বা কমি আহিব বুলি আত্মসন্তুষ্টিৰ যিদৰে স্থান নাই, আতংকিত হোৱাৰো প্ৰয়োজন নাই। আমাৰ বাবে অতি প্ৰয়োজনীয় প্ৰথম কথাটো হৈছে 'সামাজিক ভেকচিন'।

'সামাজিক ভেকচিন' মানে মাস্ক পৰিধান, শাৰীৰিক দূৰত্ব, হাত ধোৱা, ছেনিটাইজাৰৰ ব্যৱহাৰ, সমাগম পৰিহাৰ ইত্যাদি। তাৰ লগতেই যথাসম্ভৱ শীঘ্ৰেই ক'ভিড ভেকচিন লোৱা। চৰকাৰেও এই ক্ষেত্ৰত যুদ্ধকালীন তৎপৰতা নল'লে বিপদ অনিবাৰ্য্য। আশা কৰা হৈছে যে অহা ছেপ্টেম্বৰ-অক্টৰৰ মাহৰ পৰা শিশুসকলৰ বাবেও ভেকচিন প্ৰাপ্তিসাধ্য হ'ব। ❖

*(এই লেখাটো ১৪ জুলাই, ২০২১ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশ পাইছিল। শিক্ষাৰ্থীসকলৰ উপযোগী হ'ব বুলি ভাবি এই লেখাটো পুনৰ্মুদ্ৰিত কৰা হৈছে।)*

## দিলীপ কুমাৰৰ দেহাৱসান



ভাৰতৰ হিন্দী ছবি জগতৰ 'ট্রেজেডি কিং' ৰূপে খ্যাত অভিনেতা দিলীপ কুমাৰৰ ৭ জুলাই তাৰিখে ৯৮ বছৰ বয়সত দেহাৱসান ঘটে। ১৯২২ চনৰ ১১ ডিছেম্বৰত পাকিস্তানৰ পেছোৱাৰত জন্মগ্ৰহণ কৰা দিলীপ কুমাৰৰ প্ৰকৃত নাম হৈছে ইউছুফ খান। ১৯৪৪ চনত বম্বে টকীজৰ ছবি 'জোৱাৰ-ভাটা'ৰ জৰিয়তে অভিনয় জীৱনৰ পাতনি মেলা দিলীপ কুমাৰে পৰৱৰ্তী সময়ত মনপৰশা অভিনয়েৰে কোটি কোটি দৰ্শকক মোহাৱিষ্ট কৰি ৰাখিবলৈ সমৰ্থ হৈছিল। ১০০ খনতকৈও অধিক চলচ্চিত্ৰত অভিনয় কৰা দিলীপ কুমাৰৰ কেইখনমান অতি জনপ্ৰিয় চলচ্চিত্ৰ হৈছে— আন্দাজ, আন, দাগ, দেৱদাস, নয়া দৌৰ, মধুমতী, মোগল-ঈ-আজম, গোপী, ছাগি, বৈৰাগ, ইনচানিয়ৎ, বিধাতা, ৰাম অউৰ শ্যাম, গংগা-যমুনা, শক্তি, কৰ্মা, ক্ৰান্তি, সৌদাগৰ ইত্যাদি। নিজকে বলিউডৰ অপ্ৰতিদ্বন্দ্বী অভিনেতা বুলি প্ৰতিপন্ন কৰিবলৈ সক্ষম হোৱা দিলীপ কুমাৰৰ অভিনীত অন্তিমখন চলচ্চিত্ৰ হৈছে 'কিলা' (১৯৯৮)।

হিন্দী, উৰ্দু, পাঞ্জাবী, মাৰাঠী, ইংৰাজী, বাংলা, গুজৰাটী, পাৰ্ছিয়ান আদি ভাষাত দখল থকা দিলীপ কুমাৰে তেওঁৰ অভিনয় দক্ষতা তথা সমাজ সেৱাৰ বাবে কেইবাটাও পুৰস্কাৰ তথা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। আঠবাৰ ফিল্ম ফেয়াৰৰ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰা দিলীপ কুমাৰে ভাৰতীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান 'দাদা চাহেব ফাল্কে' বঁটাও লাভ কৰিছিল। পাকিস্তানৰ সৰ্বোচ্চ অসামৰিক সন্মান 'নিচান-ঈ-ইমতিয়াজ'ৰে সন্মানিত দিলীপ কুমাৰে ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মবিভূষণো লাভ কৰিছিল।

## ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

এই বৰ্ষৰ ৭ জুলাই তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ৪৩ গৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে সম্প্ৰসাৰণ ঘটোৱা হয়। ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে নৱনিযুক্ত ৪৩ গৰাকী মন্ত্ৰীক শপত আৰু গোপনীয়তা ৰক্ষাৰ বাক্য পাঠ কৰোৱায়। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি মুঠ ১৫ গৰাকী কেবিনেট মন্ত্ৰীৰ লগতে ২৮ গৰাকীয়ে ৰাজ্যিক মন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে। এই সম্প্ৰসাৰণৰ যোগেদি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য সংখ্যা ৭৮ জনলৈ বৃদ্ধি হয়। সোণোৱালৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা মণিপুৰৰ ৰাজকুমাৰ ৰঞ্জন সিং আৰু ত্ৰিপুৰাৰ সাংসদ প্ৰতিমা ভৌমিকক ৰাজ্যিক মন্ত্ৰীৰূপে নিযুক্তি দিয়া হয়। পূৰ্বৰে পৰা কেন্দ্ৰীয় মন্ত্ৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰি থকা অৰুণাচল প্ৰদেশৰ



*ৰামেশ্বৰ তেলী*

কিৰেণ ৰিজিজু আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ ৰামেশ্বৰ তেলীকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰা মন্ত্ৰীৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি হয়। সৰ্বানন্দ সোণোৱালক বন্দৰ, জাহাজ, জলপথ আৰু আয়ুস দপ্তৰৰ দায়িত্ব অৰ্পণ কৰাৰ বিপৰীতে ৰামেশ্বৰ তেলীক পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। কিৰেণ ৰিজিজুৰে আইন আৰু ন্যায় বিভাগৰ দায়িত্ব লাভ কৰাৰ লগতে কেবিনেট মন্ত্ৰী জি কিষাণ ৰেড্ডীক উত্তৰ-পূব উন্নয়ন (ড'নাৰ) বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে এই সম্প্ৰসাৰণত জ্যেষ্ঠ মন্ত্ৰী ৰবিশংকৰ প্ৰসাদ, প্ৰকাশ জাভাড়েকাৰ, ডাঃ হৰ্ষবৰ্ধন, ৰমেশ পোখৰিয়ালকে ধৰি মুঠ ১২ গৰাকী কেন্দ্ৰীয় মন্ত্ৰীক অপসাৰণ কৰা হৈছে।



*সৰ্বানন্দ সোণোৱাল*

## অসম বিধানসভাৰ বাজেট অধিৱেশন




পঞ্চদশ অসম বিধানসভাৰ প্ৰথম বাজেট অধিৱেশনখন যোৱা ১২ জুলাইৰ পৰা আৰম্ভ হয়। ১৩ আগষ্টলৈ চলিবলগীয়া এই বাজেট অধিৱেশনত নতুন আৰু সংশোধনীসহ মুঠ ১৩ খন বিধেয়ক (বিল) উত্থাপন কৰা হয় আৰু দুমহীয়া ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নতুন চৰকাৰখনৰ ২০২১-২২ বৰ্ষৰ প্ৰথম বাজেট ১৬ জুলাইত উত্থাপন কৰা হয়। ৰাজ্যখনৰ প্ৰথম মহিলা বিত্তমন্ত্ৰী অজন্তা নেওগে চলিত বিত্তীয় বৰ্ষৰ ৫৬৬ কোটি টকাৰ নতুন কৰহীন ঘাটি বাজেট বিধানসভাত দাঙি ধৰে। বিত্তমন্ত্ৰী অজন্তা নেওগে বাজেট উত্থাপন কৰি এই বৰ্ষৰ মুঠ সংগ্ৰহ ২,৮৯,৭৭০.৬৮ কোটি টকা হোৱাৰ বিপৰীতে সম্ভাব্য খৰচ ২,৮৯,৩৬৭.৯০ কোটি টকা হ'ব বুলি প্ৰকাশ কৰে। এই বিত্তীয় বৰ্ষটোত ৪০৩.৫৮ কোটি টকা ৰাহি হ'ব যদিও বিগত সময়ৰ মুঠ ঘাটি ৯৬৯.৭৮ কোটি টকা থকা বাবে বৰ্ষটোৰ শেষত ঘাটিৰ পৰিমাণ ৫৬৬.২০ কোটি টকা হ'বগৈ। নতুনকৈ কোনো কৰ আৰোপ নকৰা এইবাৰৰ জনমুখী বাজেটত দহটা নতুন পুলিচ বেটেলিয়ন গঠন, গোৱালপাৰা জিলাত আজগড় অভয়াৰণ্য ঘোষণা, ১০০ খন নতুন উদ্যোগ পাম গঠন, চৰকাৰী বিদ্যালয়ৰ নৱম-দশম শ্ৰেণীৰ দুখীয়া শিক্ষাৰ্থীক বিনামূলীয়া স্মাৰ্ট ফ'নৰ যোগান আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধৱা সাহায্য আঁচনি, মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনিকে ধৰি তিনি বছৰলৈ চাহ উৎপাদন বিক্ৰীত কৰ ৰেহাই আদি বলৱৎ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

## কোপা আমেৰিকা কাপ ফুটবলত আৰ্জেণ্টিনা চেম্পিয়ন



এই বৰ্ষৰ ১১ জুলাইত অনুষ্ঠিত কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত আৰ্জেণ্টিনাই চেম্পিয়নৰ খিতাপ দখল কৰে। ১৯৯৩ চনত অন্তিমবাৰৰ বাবে কোপা আমেৰিকাৰ খিতাপ লাভ কৰা আৰ্জেণ্টিনাই বিশ্ববিখ্যাত মাৰাকানা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ তীব্ৰ উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত যোৱাবাৰৰ চেম্পিয়ন ব্ৰাজিলক পৰাস্ত কৰি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। এঞ্জেল ডি মাৰিয়াই একমাত্ৰ গ'লটো স্ক'ৰ কৰি আৰ্জেণ্টিনাক অগ্ৰগতি প্ৰদান কৰে আৰু অৱশেষত ডি মাৰিয়াৰ গ'লটোৱেই খেলখনৰ নিৰ্ণায়ক গ'লৰূপে বিবেচিত হয়। প্ৰতিযোগিতাখনত দুৰ্দান্ত প্ৰদৰ্শন কৰি আৰ্জেণ্টিনাক চেম্পিয়নৰ সোৱাদ দিয়াত অন্যতম ভূমিকা পালন কৰা অধিনায়ক মেছিয়ে শ্ৰেষ্ঠ খেলুৱৈ হিচাপে 'গ'ল্ডেন বল' লাভ কৰে। তদুপৰি প্ৰতিযোগিতাখনত চাৰিটাকৈ গ'ল স্ক'ৰ কৰা আৰু সতীৰ্থ খেলুৱৈক গ'ল প্ৰদানত সহায় কৰাৰ বাবে তেওঁ 'গ'ল্ডেন বুট' বঁটাও লাভ কৰিবলৈ সক্ষম হয়। চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে চেম্পিয়ন দলটোৰ এঞ্জেল ডি মাৰিয়াই আৰু 'গ'ল্ডেন গ্ল'ভ' বঁটা অৰ্জন কৰে গ'লৰক্ষক এমিলিয়ানো মাৰ্টিনেজে।

১৩ জুনৰ পৰা ১১ জুলাইলৈ ব্ৰাজিলত অনুষ্ঠিত এই ৪৭ সংখ্যক কোপা আমেৰিকা ফুটবল খেলত মূল পৰ্য্যায়ত মুঠ ১০টা দলে অংশগ্ৰহণ কৰিছিল। বিজয়ী

সূত্রে আর্জেণ্টিনাই ট্রফীৰ লগতে ৫০ কোটি টকা লাভ কৰাৰ বিপৰীতে ৰানার্চ-আপ ব্রাজিলে লাভ কৰে ২৫ কোটি টকা। প্রতিযোগিতাত কলম্বিয়াই তৃতীয় স্থান দখল কৰি ২০ কোটি টকা লাভ কৰে।

## মহাকাশ পর্য্যটনৰ আৰম্ভণি




যোৱা ১১ জুলাই তাৰিখে ভাৰ্জিন 'গেলেক্টিক মহাকাশযান ইউনিট-২২'এ মহাকাশ যাত্রা সফলতাৰে সম্পন্ন কৰি ইতিহাস ৰচনা কৰে। ৯০ মিনিটত সম্পন্ন হোৱা এই মহাকাশ ভ্রমণত মহাকাশ যানখনে ভূ-পৃষ্ঠৰ পৰা ৮৫ কিল'মিটাৰ উচ্চতাত পৰিভ্রমণ কৰি মহাকাশ পর্য্যটনৰ নতুন যুগৰ সূচনা কৰে। ভাৰ্জিন গেলেক্টিক কোম্পানীৰ প্রথমখন অত্যাধুনিক যাত্রীবাহী মহাকাশ যানৰ এই ব্যক্তিগত পর্য্যটন যাত্রাৰ নেতৃত্বত আছিল ব্রিটিছ ধনকুবেৰ ৰিচার্ড ব্রনচন। ভাৰতীয় বংশোদ্ভৱ মহিলা তথা কোম্পানীটোৰ এগৰাকী উপ সভাপতি ছিৰিছা বাণ্ডলাসহ এই মহাকাশ ভ্রমণত মুঠ ছগৰাকী আৰোহী আছিল। এৰ'ন'টিকেল ইঞ্জিনিয়াৰিঙৰ স্নাতকোত্তৰ ডিগ্রিধাৰী ছিৰিছা বাণ্ডলা হৈছে কল্পনা চাওলা আৰু সুনীতা উইলিয়ামছৰ পাছত মহাকাশ ভ্রমণ কৰা তৃতীয়গৰাকী ভাৰতীয় বংশোদ্ভৱ মহিলা। ভাৰ্জিন গেলেক্টিক কোম্পানীটোৰ অধ্যক্ষ হৈছে ৭১ বছৰীয়া উদ্যোগপতি ৰিচার্ড ব্রনচন। তদুপৰি ২০ জুলাইত এমাজ'নৰ প্রতিষ্ঠাতা জেফ বেজ'ছে ব্লু অৰিজিন মহাকাশ কোম্পানীৰ 'নিউ শ্বেফার্ড' মহাকাশ যানেৰে সফলতাৰে মহাকাশত ভ্রমণ কৰি মহাকাশ পর্য্যটনক অধিক গতিশীল কৰি তোলে। বেজ'ছে তেওঁৰ ভাতৃ মার্ক, ৮২ বছৰীয়া মহিলা মহাকাশ পাইলট ৱালিছ ফ্রাংক আৰু ১৮ বছৰীয়া শিক্ষার্থী অলিভাৰ ডিমানসহ মহাকাশ যাত্রা কৰি প্রায় ১০ মিনিট সময় শূন্য মাধ্যাকর্ষণত থাকি সফলতাৰে প্রত্যাৱর্তন কৰে। এই ভ্রমণ সফল কৰিবৰ বাবে ব্লু অৰিজিন প্রতিষ্ঠানটোৱে ১৫ বাৰ মানৱবিহীন মহাকাশ অভিযান চলাইছিল আৰু ২০১৫ চনতে বেজ'ছে নিজে এই প্রতিষ্ঠানটো প্রতিষ্ঠা কৰিছিল। ২০ জুলাইত আমেৰিকা যুক্তৰাজ্যৰ এপ'ল'-১১ চন্দ্র অভিযানৰ ৫২ সংখ্যক বর্ষপূর্তি উদ্‌যাপনৰ অংশ হিচাপেই বেজ'ছে এই মহাকাশ যাত্রা সম্পন্ন কৰে।

## টকিঅ' অলিম্পিক ক্রীড়া মহোৎসৱ



বিশ্বৰ সর্ববৃহৎ ক্রীড়া মহোৎসৱ অলিম্পিক (৩২ সংখ্যক) জাপানৰ ৰাজধানী টকিঅ' চহৰত যোৱা ২৩ জুলাইৰ পৰা আৰম্ভ হৈছে। ক'ভিড-১৯ অতিমাৰীৰ বাবে ২০২০ চনৰ জুলাই মাহত অনুষ্ঠিত হ'বলগীয়া এই ক্রীড়া মহোৎসৱ স্থগিত ৰখা হৈছিল। এই বর্ষৰ অলিম্পিক খেলত মুঠ ২০৬ খন দেশে অংশগ্রহণ কৰিছে আৰু ৫০টা শিতানত সর্বমুঠ ৩৩৯ বিধ খেল অনুষ্ঠিত হ'ব। ১৫ হাজাৰ ৪০০ এথলীটে অংশগ্রহণ কৰা এইবাৰৰ অলিম্পিক খেলৰ মূল শ্ল'গান হৈছে 'আৱেগেৰে ঐক্য স্থাপন' (United by Emotion)। আন্তর্জাতিক অলিম্পিক কমিটিৰ অধ্যক্ষ টমাছ বাছৰ নেতৃত্বত প্রস্তুতি সম্পূর্ণ হৈ উঠা টকিঅ' অলিম্পিক ক'ভিড-১৯ অতিমাৰীৰ বাবে কঠোৰ নীতি-নিয়মৰ মাজত অনুষ্ঠিত হৈছে আৰু ষ্টেডিয়ামত বাহিৰৰ দেশৰ কোনো দর্শক নাথাকিব। ভাৰতীয় ভাৰত্তোলন ফেডাৰেচনৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্র প্রসাদ বৈশ্য ভাৰতীয় দলটোৰ চীফ অব দ্য মিছন হিচাপে দায়িত্ব পালন কৰিছে আৰু ভাৰতৰ মুঠ ১২৭ গৰাকী এথলীটে ১৮বিধ খেলত প্রতিদ্বন্দ্বিতা আগবঢ়াব। মণিপুৰৰ এল মীৰাবাঈ চানুৱে ভাৰত্তোলনত (৪৯ কেজি শাখাত) ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে বক্সিঙত (৬৯ কিগ্রা.) অসমৰ লাভলিনা বৰগোহাঁয়ে ছেমি ফাইনেলত প্রৱেশ কৰিছে। এই জয়ৰ সূত্রে পদকৰ তালিকাত তেওঁৰ নাম সুনিশ্চিত হৈ পৰিছে। চীনে এতিয়ালৈ ১৫টা সোণ, ৭টা ৰূপ আৰু ৯টা ব্রঞ্জৰ পদক দখলেৰে শীর্ষস্থান অধিকাৰ কৰি আছে। ❖

■ সংগ্রহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ জুন ২০২১ ৰ পৰা ২০ জুলাই, ২০২১লৈ)**

২১ **জুন** : একবিংশ শতিকাৰ শ্ৰেষ্ঠ বেটছমেন হিচাপে শচীন তেণ্ডুলকাৰক স্বীকৃতি দিয়া হয়।

২২ **জুন** : কিংবদন্তি কানাড়া সংগীতজ্ঞ পৰাশ্বানা বি পোন্নামালৰ ৯৬ বছৰ বয়সত মৃত্যু হয়।

২৩ **জুন** : যোৱা দহ বছৰত অসমত মুঠ জনসংখ্যা ৪৩ লাখ বৃদ্ধি হোৱা বুলি অসম চৰকাৰে তথ্য প্ৰকাশ কৰে।

- প্ৰথমখন বিশ্ব টেষ্ট ক্ৰিকেট প্ৰতিযোগিতাত নিউজিলেণ্ডে ভাৰতক পৰাজিত কৰি বিশ্ব চেম্পিয়ন হয়।

২৪ **জুন** : টাটা উদ্যোগৰ প্ৰতিষ্ঠাতা জামছেদজী টাটাক কুৰি শতিকাৰ শ্ৰেষ্ঠ জনহিতৈষী ব্যক্তি হিচাপে স্বীকৃতি প্ৰদান কৰা হয়।

২৫ **জুন** : চীনে অৰুণাচল প্ৰদেশ সীমান্তত ৪৩৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ তিব্বতৰ ৰাজধানী লাচা-নাইংচি সংযোগী বুলেট ট্ৰেইন সেৱা আৰম্ভ কৰে।

২৬ **জুন** : ৰঙিয়া সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ভবেশ কলিতাক অসম ৰাজ্যিক বিজেপি কমিটিৰ সভাপতি হিচাপে নিযুক্তি দিয়া হয়।

২৭ **জুন** : টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা ভাৰতৰ পৰিৱৰ্তে সংযুক্ত আৰব আমীৰশ্বাহীত অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

২৮ **জুন** : ভাৰতে ২০০০ কিল'মিটাৰ দূৰত্ব ভেদি নৱ প্ৰযুক্তিৰ অগ্নি প্ৰাইম মিছাইল পৰীক্ষণ কৰে।

২৯ **জুন** : ভাৰতীয় মহাকাশ গৱেষণা সংগঠন ইছৰোৱে ডিছেম্বৰ মাহত মানৱবিহীন 'গগনযান' মহাকাশলৈ প্ৰেৰণ কৰিব বুলি ঘোষণা কৰে।

১ **জুলাই** : জম্মু-কাশ্মীৰত ১৪৯ বছৰীয়া দৰবাৰ অৰ্থাৎ ৰাজধানী সলনি কৰাৰ প্ৰথা বন্ধ কৰা হয়। ইয়াত ছমাহৰ মূৰে মূৰে ৰাজধানীৰ স্থান সলনি কৰা হৈছিল।

৪ **জুলাই** : বিশিষ্ট গল্পকাৰ বিপুল খাটনিয়াৰৰ ৬৮ বছৰ বয়সত মৃত্যু হয়।

৭ **জুলাই** : অসম চৰকাৰে দেশভক্ত তৰুণৰাম ফুকনলৈ শ্ৰদ্ধা জনাই ২৮ জুলাই তাৰিখটো ৰাজ্যজুৰি 'দেশভক্তি দিৱস' হিচাপে পালন কৰিব বুলি ঘোষণা কৰে।

৮ **জুলাই** : ডুবাইত পানীৰ তলত হোটেল, বজাৰসহ বিশ্বৰ ভিতৰতে গভীৰতম (৬০.০২ মিটাৰ দ) ছুইমিং পুলটো মুকলি কৰা হয়।

৯ **জুলাই** : আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিকিৎসা বিজ্ঞানী ড° কৃপানাথ বৰাৰ ৯০ বছৰ বয়সত আমেৰিকা যুক্তৰাজ্যত মৃত্যু হয়।

১০ **জুলাই** : দেশৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ সময়ত বহি থকাটো অপৰাধ বা অপমানজনক ঘটনা নহয় বুলি জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ে ৰায় দিয়ে।

১১ **জুলাই** : ছাৰ্বিয়াৰ তাৰকা টেনিচ খেলুৱৈ ন'ভাক জক'ভিচে ষষ্ঠবাৰলৈ উইম্বলডনৰ পুৰুষ ছিংগলছৰ খিতাপ দখল কৰে।

১২ **জুলাই** : ইউৰো কাপত ইটালী চেম্পিয়ন হয় আৰু পৰ্টুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰ'নাল্ডোৱে গ'ল্ডেন বুট লাভ কৰে।

১৩ **জুলাই** : পঞ্চমবাৰৰ বাবে শ্বেৰ বাহাদুৰ দেওবা নেপালৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হয়।

- ২০২৬ চনত ভাৰতে বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপ প্ৰতিযোগিতাৰ স্বত্ব লাভ কৰা বুলি বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেচনে ঘোষণা কৰে।

১৫ **জুলাই** : অহা শিক্ষাবৰ্ষৰ পৰা প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ স্থানীয় কথিত ভাষাত শিক্ষাৰ্থীক পাঠদান কৰা হ'ব বুলি অসম চৰকাৰে সিদ্ধান্ত ঘোষণা কৰে।

২০ **জুলাই** : এমাজ'নৰ প্ৰতিষ্ঠাতা জেফ বেজ'ছে আন তিনিজন যাত্ৰীসহ মহাকাশ যানৰ সহায়ত দ্বিতীয়বাৰৰ বাবে মহাকাশ ভ্ৰমণ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# জীৱজগতৰ সৌন্দৰ্য্যৰ ৰহস্য আৰু এলেন টুৰিং

■ ড° ধৃতি মহন্ত

জীৱজগতখন কি যে বিচিত্ৰ আৰু ধুনীয়া! কোনোবিধ জীৱৰ গাত যদি দীঘলীয়া আঁচ, কোনো এবিধৰ গোটেই গা ফুটফুটীয়া, আন কাৰোবাৰ দেহত আকৌ বিভিন্ন আকৃতিৰ বিভিন্ন ৰঙৰ সজ্জা। ফুলাম পাখিৰ পখিলা, ৰং-বিৰঙৰ মাছ, পোক-পতংগ, ফুটুকী হৰিণ, জিৰাফ, জেব্ৰা, নাহৰফুটুকী, ঢেঁকীয়াপতীয়া বাঘ আদিলৈ চালে কেতিয়াবা এনেকুৰা লাগে যেন কোনোবাই সিহঁতৰ শৰীৰত নিপুণ হাতেৰে ছবিহে আঁকি থৈছে। কেনেকৈ সৃষ্টি হয় ইমান ধুনীয়া সজ্জাবোৰ? এই প্ৰশ্নটো নিশ্চয় আমাৰ বহুতৰে মনলৈ আহে।

প্ৰকৃতিৰ এই সৌন্দৰ্য্যৰ ৰহস্য ভেদ কৰিছিল এজন গণিতজ্ঞই, যাৰ সম্পূৰ্ণ নাম আছিল এলেন মেথিছন টুৰিং (Alan Mathison Turing)। টুৰিঙৰ মতে কোনো এটা জীৱৰ ছালত কেনে ধৰণৰ আকৃতি বা সজ্জা দেখা যাব সেয়া নিৰ্ভৰ কৰে জীৱটোৰ দেহত থকা দুবিধ বিশেষ জৈৱ ৰাসায়নিক পদাৰ্থৰ ওপৰত, যাক তেওঁ কৈছিল মৰ্ফজেন (morphogen) বুলি। গোটেই প্ৰক্ৰিয়াটোক তেওঁ গণিতৰ ভাষাতেই ব্যাখ্যা কৰিছিল আৰু দুটা গাণিতিক সমীকৰণৰ সহায়ত মৰ্ফজেনবোৰৰ পৰা সৃষ্টি হ'ব পৰা সজ্জাবোৰ অনুমান কৰি উলিয়াইছিল। সেই গৱেষণাই গাণিতিক জীৱবিজ্ঞানৰ ক্ষেত্ৰখনক এটা নতুন বাট দেখুৱালে বুলি ক'ব পাৰি।

মৰ্ফজেন দুবিধৰ বিষয়ে টুৰিঙে বৰ বেছি বিতংকৈ লিখি যোৱা নাছিল। কিন্তু পিছলৈ আন এদল বিজ্ঞানীয়ে দেখুৱাইছিল যে তাৰে এবিধে কাম কৰে ক্ৰিয়াবৰ্ধক বা সক্ৰিয়কাৰক (activator) হিচাপে, আৰু আনবিধে কাম কৰে অৱৰোধক (inhibitor) হিচাপে। কেনেকৈ? এটা উদাহৰণ দিলে হয়তো বুজিবলৈ সুবিধা হ'ব। প্ৰথমে আমি এখন শুকান হাবিৰ কথা কল্পনা কৰোঁচোন। ধৰা হ'ল, হাবিখনৰ মাজে মাজে বিশেষ কিছুমান অংশত জুই লাগিল। জুইবোৰ ক্ৰমান্বয়ে বিয়পি যাবলৈ ধৰিলে।



তাৰ বিপৰীতে আকৌ পানীৰ সহায়ত জুই নুমাবলৈ চেষ্টা কৰা হ'ল। ফলত গোটেই হাবিখন জুয়ে পুৰি ছাই কৰি পেলাব নোৱাৰিলে। পোৰা অংশবোৰৰ মাজে মাজে নোপোৰা অংশ কিছুমান ৰৈ যোৱা বাবে হাবিখনে এক ধৰণৰ পখৰা ৰূপ এটা পালে। এতিয়া জীৱৰ ছালখনক যদি আমি ওপৰৰ উদাহৰণটোৰ হাবিডৰা বুলি ধৰোঁ, জুই হ'ব ক্ৰিয়াবৰ্ধক আৰু পানীখিনি হ'ব অৱৰোধক।

টুৰিঙে ধাৰণা কৰিছিল যে মৰ্ফজেন দুবিধৰ মাজত দুই ধৰণৰ ঘটনা ঘটিব পাৰে। প্ৰথম, সিহঁতে লগ লাগি কিছুমান নতুন পদাৰ্থ সৃষ্টি কৰিব পাৰে (যিটো প্ৰক্ৰিয়াক বিজ্ঞানৰ ভাষাত ৰাসায়নিক বিক্ৰিয়া (chemical reaction) বুলি কোৱা হয়)। দ্বিতীয়তে, সিহঁত বিয়পি যাব পাৰে—যিদৰে পানী এগিলাছত দুটোপালমান চিয়াঁহী পেলাই দিলে লাহে লাহে বিয়পি গৈ গোটেই পানীখিনিয়ে নীলা হৈ পৰে, অথবা ধূপ-ধূনা, খাদ্যৰ সুগন্ধি বতাহত বিয়পি পৰে (এই পৰিঘটনাটোৰ নাম হৈছে ব্যাপন, ইংৰাজীত কোৱা হয় diffusion)। কিন্তু এই ক্ষেত্ৰত এটা বিশেষ চৰ্ত আছে। ওপৰৰ উদাহৰণটো যদি আমি আকৌ এবাৰ মনত পেলাওঁ, গোটেই হাবিখন পুৰি শেষ নহ'বলৈ হ'লে পানীখিনি জুইকুৰাতকৈ বেছি খৰকৈ বিয়পি পৰিব লাগিব। নহয়নে? ঠিক সেইদৰে মৰ্ফজেনবোৰৰ

ক্ষেত্ৰতো ক্ৰিয়াবৰ্ধকৰ তুলনাত অৱৰোধকবিধ খৰ হ'ব লাগিব।

পৰৱৰ্তী সময়ত দেখা গ'ল যে ১৯৫২ চনতে টুৰিঙে প্ৰকাশ কৰা ধাৰণাটো আৰু বিশেষ সমীকৰণ দুটাৰ সহায়ত কেৱল জীৱ-জন্তুৰ ছালৰে নহয়, বিভিন্ন ধৰণৰ অসংখ্য সজ্জাৰ ব্যাখ্যা কৰিব পৰা যায়। অৱশ্যে অতি সৰলীকৃত হোৱা বাবে তেওঁৰ আৰ্হিটোৰ কিছু সীমাবদ্ধতাও আছে বুলি বহু বিজ্ঞানীয়ে মত প্ৰকাশ কৰে। তদুপৰি প্ৰকাশৰ কেইবাদশক পিছলৈ টুৰিঙৰ ধাৰণাটোক গৱেষকসকলে পৰীক্ষাৰ সহায়ত প্ৰমাণ কৰিব পৰা নাছিল। বিশেষকৈ প্ৰাণীৰ শৰীৰত এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰাটো অতি কঠিন আছিল। উদাহৰণ স্বৰূপে, নাহৰফুটুকী বাঘৰ ছালখনত কেনেকৈ ফুটফুটীয়া চিনবোৰৰ সৃষ্টি হয়, কি কি মৰ্ফজেন থাকে ইত্যাদি কথা জানিবলৈ হ'লে পোৱালি এটা জন্মৰ আগৰ পৰাই প্ৰতিটো পৰ্য্যায়ৰ পৰ্য্যৱেক্ষণ কৰিব লাগিব, যিটো সম্ভৱ নহয়। কিন্তু শেহতীয়াভাৱে দুই-এবিধ সৰু জীৱ, যেনে—জেব্ৰা মাছ (zebra fish), নিগনি আদিৰ শৰীৰত টুৰিঙৰ ধাৰণাটো বিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাবলৈ সমৰ্থ হৈছে।

ভাবিলে আচৰিত নালাগেনে যে এজন গণিতজ্ঞই জীৱবিজ্ঞানৰ প্ৰশ্ন এটাৰ এনে এক ব্যাখ্যা আগবঢ়াই গ'ল, যিটো আজিও গৱেষণাৰ বিষয় হৈ আছে? প্ৰকৃততে এলেন টুৰিং মানুহজনেই আছিল বিৰল প্ৰতিভাৰ অধিকাৰী। তেওঁ কৰা নাছিল কি? গণিতৰ পৰা আৰম্ভ কৰি দৰ্শন, তাত্ত্বিক জীৱবিজ্ঞান, কম্পিউটাৰ বিজ্ঞান, কৃত্ৰিম বুদ্ধিমত্তালৈকে প্ৰতি ক্ষেত্ৰতে তেওঁ আগবঢ়াই গৈছে অনৱদ্য অৱদান। বহুতে তেওঁক আধুনিক কম্পিউটাৰ বিজ্ঞান আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ পিতৃ বুলি অভিহিত কৰে। কিন্তু অন্য এটা কথা উল্লেখ নকৰিলে হয়তো তেওঁৰ প্ৰতিভাৰ বৰ্ণনা আধৰুৱা হৈ ৰ'ব। দ্বিতীয় মহাসমৰৰ সময়ত জাৰ্মান সেনাবাহিনী, বায়ুসেনা আৰু নৌসেনাই প্ৰতিদিনে আদান-প্ৰদান কৰা হাজাৰ হাজাৰ গোপন সাংকেতিক বাৰ্তা, হিটলাৰৰ নিৰ্দেশ আদিৰ অৰ্থোদ্ধাৰ কৰি মিত্ৰবাহিনীৰ বিজয়ত সহায় কৰিছিল টুৰিং আৰু তেওঁৰ সহযোগীসকলে। বহু বুৰঞ্জীবিদে মত প্ৰকাশ কৰে যে এই সংকেতবোৰৰ অৰ্থ ক্ষিপ্ৰতাৰে উদ্ধাৰ কৰাৰ ফলত মহাযুদ্ধখন দুইৰ পৰা চাৰি বছৰ চমু হৈ গৈছিল।

দুৰ্ভাগ্যজনকভাৱে টুৰিঙৰ জীৱনৰ শেষছোৱা আছিল অতি কৰুণ। সেয়া এক অন্য অধ্যায়। মাত্ৰ ৪১ বছৰ বয়সতে বিশেষ পৰিস্থিতিত তেওঁ মৃত্যুক আঁকোৱালি ল'ব লগা হয়। কিন্তু চমু জীৱনকালতে বিস্ময়কৰ প্ৰতিভাৰ অধিকাৰী গণিতজ্ঞগৰাকীয়ে বিভিন্ন ক্ষেত্ৰলৈ যি অৱদান আগবঢ়াই গ'ল, তেওঁৰ জন্মৰ এশ বছৰৰ পাছতো সেইসমূহ প্ৰাসংগিক হৈ আছে। ❖

*(এই নিবন্ধটোৰ লেখক ড° মহন্ত অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী। তেওঁ ২০০৫ চনত অষ্টাদশ স্থান লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। পৰৱৰ্তী সময়ত তেওঁ আই আই টি গুৱাহাটীৰ পৰা ৰসায়নবিজ্ঞানত পি এইচ ডি ডিগ্ৰি লাভ কৰে আৰু আমেৰিকা যুক্তৰাজ্যৰ মিজৌৰিস্থিত চেইণ্ট লুইছ বিশ্ববিদ্যালয়ৰ পৰা প'ষ্ট ডক্টৰেল গৱেষণা সম্পন্ন কৰে। বৰ্তমান তেওঁ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত সহযোগী অধ্যাপক হিচাপে কৰ্মৰত।*


## ভূগোল

# আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স

■ জাহ্নবী বৰুৱা

*টোকা : আইচ শ্বেল্‌ফ—মেৰু প্ৰদেশ বৰফেৰে ঢকা। এই বৃহৎ বৰফৰ অঞ্চলবোৰ প্ৰকৃততে পানীত ওপঙিহে থাকে। ইয়াৰ এটা কাষ স্থলভাগৰ লগত লাগি থাকে। ইয়াক আইচ শ্বেল্‌ফ বোলে।*

২০২১ বৰ্ষৰ মে' মাহৰ মাজভাগত প্ৰায় ৪,৩২০ বৰ্গ কিল'মিটাৰৰ এক বৃহৎ আইচবাৰ্গ (হিমখণ্ড) এণ্টাৰ্কটিকাৰ অ'ডেল সাগৰত অৱস্থিত ৰ'ন আইচ শ্বেল্‌ফ (Ronne Ice Shelf) নামৰ বিশাল তুষাৰ




শিলাখণ্ডৰ পশ্চিম অংশৰ পৰা ভাঙি পৰে। ই ইমানেই বিশাল যে ইয়াৰ আকাৰ আমাৰ দেশৰ ৰাজধানী নতুন দিল্লীৰ তিনিগুণ হ'ব বুলি কোৱা হৈছে। 'আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স' (A-76) নামেৰে অভিহিত কৰা এই আইচবাৰ্গটো সম্প্ৰতি বিশ্বৰ আটাইতকৈ ডাঙৰ আইচবাৰ্গৰূপে স্বীকৃত হৈছে আৰু সমুদ্ৰবিজ্ঞানী, পৰিৱেশবিজ্ঞানীৰ লগতে বিশ্বৰ সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিছে। ১৭০ কিল'মিটাৰ দীঘল আৰু ২৫ কিল'মিটাৰ বহল এই আইচবাৰ্গটো সৰ্বপ্ৰথমে লক্ষ্য কৰে ব্ৰিটিছ এণ্টাৰ্কটিকাৰ ছাৰ্ভেত (British Antarctic Survey) কৰ্মৰত কেইথ মেকিন্‌চন নামৰ এজন মেৰু সমুদ্ৰবিজ্ঞানীয়ে (Polar Oceano-grapher)। ঘটনাৰ সবিশেষ সত্যতা সুনিশ্চিত কৰে ইউ এছ নেশ্বনেল আইচ চেণ্টাৰে (US National Ice Center) ব্যৱহাৰ কৰা ক'পাৰ্নিকাছ ছেণ্টিনেল-১ ইমেজাৰীয়ে (Copernicus Sentinel-1 imagery)। এই ছেণ্টিনেল-১ ইমেজাৰী ব্যৱস্থাত আছে পৃথিৱীৰ দুই মেৰু ২৪ ঘণ্টাই নিৰীক্ষণ কৰি থকা দুটা কৃত্ৰিম উপগ্ৰহ। এই কৃত্ৰিম উপগ্ৰহ দুটাৰ সহায়ত এণ্টাৰ্কটিকাৰ দুৰ্গম অঞ্চলবোৰৰ খবৰো সহজতে পাব পাৰি। এই ধৰণৰ কৃত্ৰিম উপগ্ৰহ সাগৰবিজ্ঞানী অথবা গ্লেছিয়াৰৰ বিষয়ে অধ্যয়ন কৰা গৱেষকসকলৰ বাবে আশীৰ্বাদ স্বৰূপ।


'আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স' বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ আইচবাৰ্গ যদিও ইউ এছ নেশ্বনেল আইচ চেণ্টাৰৰ তালিকাত এ-ছেভেণ্টি ছিক্সতকৈও ডাঙৰ আইচবাৰ্গৰ নাম অন্তৰ্ভুক্ত হৈ আছে। সেইটো হ'ল ২০০০ চনত ৰ'ছ আইচ শ্বেল্ফৰ (Ross Ice Shelf) পৰা স্খলিত হোৱা প্ৰায় ১১,০০০ বৰ্গ কিল'মিটাৰৰ আইচবাৰ্গ বি-ফিফ্‌টিন (B-15)। দীঘলে ২৯৫ কিল'মিটাৰ আৰু বহলে ৩৭ কিল'মিটাৰ এই আইচবাৰ্গটো পৰৱৰ্তী সময়ত ৰ'ছ সাগৰত সৰু সৰু টুকুৰালৈ খণ্ডিত হৈ পৰে।

আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স, বি-ফিফ্‌টিন বা সেই ধৰণৰে এ-ছিক্সটি এইট (A-68), ডি ছিক্সটিন (D-16) আদি নামবোৰ বা নম্বৰবোৰ আইচবাৰ্গবোৰক কোনে দিয়ে জানানে? ইউ এছ নেশ্বনেল চেণ্টাৰেই এই নামবোৰ আইচবাৰ্গক দিয়ে। আইচবাৰ্গৰ অৱস্থিতিৰ ওপৰত ভিত্তি কৰি এই নামবোৰ দিয়া হয়। কেৱল নাম দিয়াই নহয়, আইচবাৰ্গ, গ্লেছিয়াৰ আদিৰ গতিবিধি নিৰীক্ষণ কৰি থকাৰো দায়িত্ব এই সংস্থাটোৱে পালন কৰে। আইচবাৰ্গবোৰ স্খলিত হোৱাৰ পাছত লাহে লাহে খণ্ডিত হ'বলৈ ধৰে, বতাহ আৰু সাগৰৰ সোঁতত গতিৰ দিশ পৰিৱৰ্তন কৰে। কেতিয়াবা এনেবোৰ কাৰণতে জাহাজৰ লগত খুন্দা খাই ডাঙৰ দুৰ্ঘটনাও সংঘটিত হ'ব পাৰে। উল্লেখনীয় যে আইচবাৰ্গ পানীৰ ওপৰত যিমান দেখা পোৱা যায়, পানীৰ তলত তাতকৈও বহুত বেছি ডাঙৰ অংশ লুকাই থাকে। সেই লুকাই থকা অংশতেই জাহাজবোৰে অসাৱধানতাৰ বাবে খুন্দা মাৰে। পৃথিৱীবিখ্যাত টাইটানিক জাহাজখন ডুবাৰ মুখ্য কাৰণো আছিল আইচবাৰ্গৰ লগত হোৱা সংঘৰ্ষ।

সাধাৰণতে আইচবাৰ্গৰ সৃষ্টি এক স্বাভাৱিক প্ৰাকৃতিক প্ৰক্ৰিয়া। অৱশ্যে গোলকীয় উষ্ণতাৰ বাবে ইয়াৰ পৰিমাণ বাঢ়িছে। ই নিঃসন্দেহে এক চিন্তাৰ বিষয়। কিয়নো আইচবাৰ্গৰ পৰিমাণ বাঢ়িলে ই সাগৰপৃষ্ঠৰ পানীৰ পৰিমাণ বৃদ্ধি কৰিব। যাৰ ফলত সাগৰ তীৰৰ ওচৰ-পাঁজৰে থকা অঞ্চলবোৰলৈ ভাবুকি আহিব। বৰ্তমানলৈ 'আইচবাৰ্গ এ-ছেভেণ্টি ছিক্স'ৰ জন্ম স্বাভাৱিক বুলিয়ে ধৰা হৈছে যদিও, কিছুমানৰ মতে গোলকীয় উষ্ণতা বৃদ্ধিও ইয়াৰ এটা কাৰণ। সম্প্ৰতি এই আইচবাৰ্গটোৰ সমস্ত গতিবিধি সমুদ্ৰবিজ্ঞানীসকলৰ নিৰীক্ষণত আছে। ❖

# পক্ষীবিদ ড° ছালিম আলী

■ যুথিকা পাটোৱাৰী



বিহংগ আত্মা, পক্ষীবিদ ড° ছালিম আলীৰ জন্ম হৈছিল ১৮৯৬ চনৰ ২২ নৱেম্বৰ তাৰিখে দক্ষিণ বোম্বাইৰ (এতিয়া মুম্বাই) খটোৱাদি গাঁৱত। তেওঁৰ সম্পূৰ্ণ নামটো হ'ল ড° ছালিম মইজুদ্দিন আব্দুল আলী।

ছালিম আলীয়ে সৰুতেই পিতৃ-মাতৃক হেৰুৱাইছিল। মোমায়েক আমিৰুদ্দিন তৈয়বজী আৰু মামীয়েক হামিদা বেগমে তেওঁক ডাঙৰ-দীঘল কৰে। শৈশৱৰ পৰাই ছালিম আলীয়ে চৰাইৰ প্ৰতি এক বিশেষ আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁৰ মনত পক্ষী নিৰীক্ষণৰ বীজ সৰু হৈ থাকোঁতেই অংকুৰিত হৈছিল। ল'ৰালিকালত এবাৰ এজন মানুহৰ পৰা বিক্ৰী কৰিবলৈ অনা এটা চৰাই কিনি লৈ ছালিম আলীয়ে সজাত ভৰাই থৈ যতন কৰাৰ উপৰি ইয়াৰ গতিবিধি নিৰীক্ষণ কৰিছিল। পিছলৈ এইটোৱে হৈ পৰিছিল তেওঁৰ খেলৰ বিষয়।

ছালিম আলীৰ পাঁচজন ভাই-ককাই আৰু চাৰিজনী বাই-ভনী আছিল। মোমায়েকৰ যত্নতেই ছালিম আলীয়ে প্ৰাণীবিদ্যা অধ্যয়ন কৰি স্নাতক ডিগ্ৰি লৈছিল আৰু পাছলৈ ছেণ্ট জেভিয়াৰ্ছ কলেজৰ পৰা প্ৰাণীবিদ্যাত স্নাতকোত্তৰ ডিগ্ৰিও লাভ কৰিছিল। সেই সময়তে তেওঁ ককায়েকৰ লগত ব্ৰহ্মদেশলৈ যাবলগীয়া হৈছিল আৰু তাত থকা সুদীৰ্ঘ সাত বছৰকাল পক্ষী নিৰীক্ষণ কাৰ্য্যত ব্যস্ত হৈ পৰিছিল।

তেওঁ ১৯২৯ চনৰ পৰা ১৯৩০ চনলৈ এই বিষয়ে বাৰ্লিনত প্ৰশিক্ষণ লৈ স্বদেশলৈ উভতি আহে। ১৯১৭ চনত ড° ছালিম আলীয়ে তেহমিনা বেগমৰ লগত বিবাহপাশত আবদ্ধ হয় যদিও কেইবছৰমান পাছতে তেওঁৰ পত্নী বিয়োগ হয়। ইয়াৰ পাছৰ পৰাই ছালিমৰ প্ৰকৃতিৰ লগত, পক্ষীৰ লগত সম্পৰ্ক আৰু গভীৰ হৈ পৰে। তেওঁ নিজৰ ১৬ মিলিমিটাৰ কেমেৰাটো কান্ধত তুলি লৈ ভাৰতৰ প্ৰায় সমস্ত নদ-নদী, বিল-খাল, হ্ৰদ, পৰ্বত-ভৈয়াম আদিত পক্ষী নিৰীক্ষণ কৰি ঘূৰি ফুৰিছিল। বিভিন্ন অঞ্চল ঘূৰি-পকি চৰাইৰ জৰীপ কৰি ফুৰিছিল। কি ঠাণ্ডা, কি গৰম সকলো সময়তে তেওঁ মাথোঁ ঘূৰি ফুৰিছিল চৰাইৰ পিছে পিছে। তেওঁ চৰাইবিষয়ক কেইবাখনো মনোৰম গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

ড° ছালিম আলীয়ে তেওঁৰ এই কামৰ স্বীকৃতিস্বৰূপে পাইছিল পৃথিৱীৰ বহুতো দেশৰ পৰা আদৰ আৰু সন্মান। ভাৰত চৰকাৰেও তেওঁক পদ্মভূষণ আৰু পদ্মবিভূষণ সন্মানেৰে সন্মানিত কৰিছিল।

১৯৭৪ চনত ড° ছালিম আলী অসমলৈ আহিছিল। তেওঁ চিৰিয়াখানাৰ ভিতৰত মিনি ট্ৰেইন চলাৰ বিৰোধিতা কৰিছিল। তেওঁ কৈছিল যে তেনে কৰিলে চিৰিয়াখানাৰ ভিতৰৰ গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশ বিনষ্ট হ'ব। তাৰ ফলস্বৰূপে, এতিয়া গুৱাহাটী চিৰিয়াখানা দেশৰ ভিতৰতেই প্ৰাকৃতিক সৌন্দৰ্য্যৰে পূৰ্ণ এখন চিৰিয়াখানা হৈ ৰ'ল। তেওঁ অসমৰ মানাহ অভয়াৰণ্যলৈ গৈ ইয়াৰ উন্নয়নৰ বাবেও পৰামৰ্শ আগবঢ়াইছিল। তেওঁ এযাৰ কথা কৈছিল, "ভুৱন বিজয়ী সৌন্দৰ্য্যৰে পূৰ্ণ তাজমহল ধ্বংস হ'লে পুনৰ নিৰ্মাণ কৰিব পৰা যাব, কিন্তু প্ৰকৃতি ধ্বংস হ'লে কোনোদিনেই ঘূৰাই পোৱা নাযাব।"

১৯৮৭ চনৰ ২০ জুন তাৰিখে এইজনা প্ৰকৃতিপ্ৰেমীৰ মৃত্যু হয়। বন্যপ্ৰাণী সংৰক্ষণ আৰু প্ৰকৃতি ৰক্ষাৰ যুঁজত আজীৱন ব্ৰতী হোৱা ড° ছালিম আলী সকলোৰে আদৰ্শ হোৱা উচিত। ❖

# অসমৰ ফুল

**গধূলি গোপাল :** ইংৰাজী নাম : Four O'clock Flower বা Marvel of Peru, বৈজ্ঞানিক নাম : *Mirabilis galapo* :



গধূলি গোপাল এক প্ৰকাৰৰ গুল্মজাতীয় ফুল গছ। বিভিন্ন ৰঙৰ গধূলি গোপাল পোৱা যায়। একেডাল গছতেই ভিন ভিন বৰণৰ ফুল ফুলা গধূলি গোপালৰ এক অন্যতম বৈশিষ্ট্য। সম্পূৰ্ণ বগা, গুলপীয়া, হালধীয়া ইত্যাদি ৰঙৰো গধূলি গোপাল ফুল দেখা যায়। একেবিধ ফুলতে কেতিয়াবা বিভিন্ন ৰঙৰ দাগো দেখা যায়। ফুলবোৰ সুগন্ধিযুক্ত। গধূলি গোপাল সন্ধিয়া ফুলে আৰু ওৰে নিশা ফুলি পুৱা মৰহি যায়। এইবিধ ফুল সাধাৰণতে খাদ্য সংসাধনত ব্যৱহাৰ কৰা হয়। তদুপৰি ইয়াৰ পাতো খাব পাৰি। কিছুমান ঔষধ তৈয়াৰ কৰোঁতে গধূলি গোপালৰ বীজ আৰু শিপা ব্যৱহাৰ কৰা হয়। এইবিধ ফুল বিভিন্ন ধৰণৰ ঘা, খৰ-খজুৱতি ইত্যাদিত ব্যৱহাৰ কৰিলে সুফল পোৱা যায়। ❖

**পদুম :** ইংৰাজী নাম : Sacred Lotus বা Indian Lotus, বৈজ্ঞানিক নাম : *Nelumbian nucifera* :

পদুম ফুলৰ গছ বোকাত গজে। পদুম এবিধ তৃণজাতীয় আৰু বহু বৰ্ষজীৱী উদ্ভিদ। ইয়াৰ পাত ঘূৰণীয়া আৰু পাতৰ ঠাৰি দীঘল। বগা, গুলপীয়া আৰু ৰঙা এই তিনিবিধ ৰঙৰে পদুম ফুল দেখিবলৈ পোৱা যায়। এই ফুলৰ কন্দ বোকাত সোমাই থাকে। পদুম ভাৰতৰ ৰাষ্ট্ৰীয় ফুল। পদ্ম, কমল, পংকজ, উৎপল, ইন্দিবৰ, শতদল, অম্বুজ ইত্যাদি বিভিন্ন নামেৰে পদুম জনাজাত। এইবিধ ফুল ঔষধি গুণসম্পন্ন। কফ আৰু পিত্ত ৰোগীৰ বাবে পদুম ফুল উপকাৰী। বিভিন্ন বিষক্ৰিয়া নোহোৱা কৰিবলৈও পদুম ফুল ব্যৱহাৰ কৰা হয়। তদুপৰি হিন্দুসকলে পূজাত পদুম ফুল ব্যৱহাৰ কৰে। পৱিত্ৰতাৰ প্ৰতীক পদুম ফুলে বায়ু পৰিষ্কাৰ কৰে বুলি মানুহে বিশ্বাস কৰে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

### নাটকৰ লগত জড়িত শব্দ

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| অভিনয় | — acting | প্ৰহসন | — farcical play |
| অভিনেতা | — actor | প্ৰেক্ষাগৃহ | — auditorium |
| অভিনেত্ৰী | — actress | প্ৰেক্ষাসন | — gallery |
| আঁৰকাপোৰ | — screen | বহুৱা | — joker/clown |
| খলনায়ক | — villain | স্মাৰক | — prompter |
| খলনায়িকা | — vamp | বিয়োগাত্মক নাটক | — tragedy |
| দৰ্শক | — spectator | বীৰ ৰসাত্মক | — heroic |
| নাটক | — drama/play | গীতি নাটিকা | — opera |
| নাটঘৰ | — theatre | হাস্যাভিনেতা | — comedian |
| নাটকীয় | — dramatic | হাস্যাভিনেত্ৰী | — comediene |
| নায়ক | — hero | পাৰ্শ্ব অভিনেতা | — supporting actor |
| নায়িকা | — heroine | চমু সংগীত নাট্য | — operetta |
| নৃত্য নাট | — dance drama | নাট্যশালা | — theatre |
| মুকাভিনয় | — mime | ৰংগমঞ্চ | — amphitheatre |
| পুতলা নাচ | — puppetry | শ্ৰোতা | — audience ❖ |

# অসমীয়া ফকৰা-যোজনা

## আইৰো বাৰ্তা, গংগাৰো যাত্ৰা



সন্তানৰ বাবে মাক আটাইতকৈ আপোন। জন্মদাত্ৰী মাকৰ প্ৰতি শ্ৰদ্ধা-সন্মান বৰ্তাই ৰখা তথা মাকৰ প্ৰতি দায়িত্ব পালন কৰাটো সন্তানৰ প্ৰধান কৰণীয়। দূৰণিত থকা আইৰ খবৰ কৰিবলৈ যোৱাটো সন্তানৰ বাবে যিদৰে আনন্দদায়ক অভিজ্ঞতা, একেদৰে পুণ্যৰো কাম। আনহাতে গংগা নদীক ভাৰতীয় পৰম্পৰাত পৱিত্ৰ জ্ঞান কৰা হয়। গংগা নদীত স্নান কৰিলে পাপ খণ্ডন হয় আৰু পুণ্য অৰ্জন হয় বুলি বিশ্বাস কৰা হয়। গতিকে আইৰ খবৰ ল'বলৈ যোৱাৰ সময়তে যদি একেবাৰতে গংগা নদীতো স্নান কৰি অহা হয় তেন্তে দুগুণ পুণ্য অৰ্জন হয়। আইৰো বাৰ্তা গংগাৰো যাত্ৰা প্ৰবচনফাকিয়ে এটা শুভ কাম কৰিবলৈ গৈ আনুষাংগিকভাৱে কৰা আন এটা ভাল কামে কিদৰে মানুহক উপকৃত কৰে তাকে বুজাবলৈ বিচাৰিছে।

**প্ৰায়োগিক বাক্য :** অসুখীয়া মানুহজনীৰ খবৰ লৈ আহি বৰ ভাল কৰিলি; আইৰো বাৰ্তা লোৱা হ'ল, গংগাৰো যাত্ৰা হ'ল। ❖

## যি মূলা বাঢ়িব তাৰ দুপাততে চিন



অংকুৰিত হোৱা মূলা পুলি এটা আগলৈ ভাল হ'বনে নহয়, তাৰ চিন সৰুতেই পোৱা যায়। যিটো পুলি আগলৈ ভাল হ'ব সেইটো পুলি দুপতীয়া অৱস্থাতে লহপহকৈ বাঢ়ি আহিব। আনহাতে পুলিটোৰ পাত যদি কেৰোণে ধৰা হয় তেন্তে ভৱিষ্যতে যে সেই মূলা পুলিটো ভাল নহ'ব সেই কথা বুজিব পাৰি। ঠিক এই মূলা পুলিৰ দৰেই এটি শিশুৰ আচাৰ-আচৰণ, গতি-বিধি লক্ষ্য কৰিয়ে ভৱিষ্যতে শিশুটি কেনে হ'ব তাৰ উমান পাব পাৰি। যি ল'ৰা শৈশৱ অৱস্থাতে সজ আচৰণ বা আন ভাল দিশৰ অধিকাৰী হয়, সেই শিশু যে ভৱিষ্যতে প্ৰতিভাসম্পন্ন সুনাগৰিক হ'ব সেয়া নিশ্চিত।

**প্ৰায়োগিক বাক্য :** মুনুকণ যে আগলৈ ভাল ল'ৰা হ'ব মই নিশ্চিত, কথাতে কয় নহয়—যি মূলা বাঢ়িব তাৰ দুপাততে চিন। ❖

# মৰম




"মনু আৰু তনুৰ মাকৰ ৰাতিপুৱাই খং উঠিল। এনেকুৱা কথাত মনু আৰু তনুৰ মাকৰ কিয়, সকলো মাকৰে খং উঠিব। বিছনাখনৰ ফালে চাই মনু আৰু তনুৰ মাকে চিঞৰ মাৰি উঠিল।"—মনু আৰু তনু নামৰ দুটি ল'ৰাৰ আকৰ্ষণীয় কাহিনী থকা—সিহঁতৰ দুষ্টালি-আব্দাৰ, আনন্দ-বেজাৰৰ কথা থকা এখন বৰ ধুনীয়া গল্পৰ কিতাপ 'মৰম'। কিতাপখন তোমালোকৰ বহুতেই চাগে' ইতিমধ্যে পঢ়িছা। ড° ভবেন্দ্ৰ নাথ শইকীয়াই ৰচনা কৰা মৰম নামৰ এই কিতাপখনত চাৰিটা বৰ মনোৰম কাহিনী আছে আৰু এখন নাটকো আছে। 'ঘৰুৱা সাঁথৰ' নামৰ কাহিনীটো পঢ়িলে তনু-মনুৱে ঘৰত কৰা বদমাছিবোৰৰ উপৰি সিহঁতে মিছা কথা কোৱাৰ ফলত ঘৰত কেনে পৰিস্থিতিৰ সৃষ্টি হৈছিল জানিব পাৰিবা। মাক-দেউতাকৰ আগত মিছা কথা ক'লে তেওঁলোকে মনত কিমান কষ্ট পায় সেই কথাও উপলব্ধি কৰিব পাৰিবা। তনু-মনুহঁতৰ ঘৰলৈ অহা পেহীয়েকৰ ল'ৰা ৰূপটিক তনু-মনুৱে কিয় নিজৰ হেঁপাহৰ বলটো দি দিছিল সেই কথা জানিব পাৰিবা 'মৰম' নামৰ গল্পটো পঢ়িলে। 'আমি বহু কথা নাজানো' নামৰ গল্পটোত এটা বৰ দুখলগা কাহিনী আছে। সৰু বাপু আৰু ডাঙৰ বাপু নামৰ দুটা ল'ৰাই চৰাই পোৱালি এহালক কাউৰীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ এদিন সজা এটাত ভৰাই থৈছিল। পিছে সিহঁতে ভাল ভাবি কৰা সেই কামটোৰ ফল ভাল নহ'ল। সজাটোৰ ভিতৰত সাপ এডাল সোমাই পোৱালি দুটাক খাই পেলোৱাৰ দুৰ্ভাগ্যজনক ঘটনাটোৱে সিহঁতক বৰ মনোকষ্ট দিলে। 'ভোজ' নামৰ নাটকখনতো ভোজ খাবৰ বাবে কেইটিমান ল'ৰা-ছোৱালীয়ে চলোৱা প্ৰস্তুতিৰ মনোৰম বিৱৰণ আছে। কিতাপখনৰ আটাইতকৈ ভাল লগা কথাটো হ'ল প্ৰতিটো কাহিনীৰ শেষত লেখকে কাহিনীটোত বিশেষ কিছুমান শব্দ ব্যৱহাৰ কৰাৰ কাৰণ, উচ্চাৰণৰ ধৰণ আদি দিশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ কিছুমান কথা সংযোজন কৰিছে। এই কথাখিনিয়ে তোমালোকক উপকৃত কৰিব। কিতাপখন প্ৰকাশ কৰিছে অসম বুক হাইভে, মূল্য ৩০ টকা। ❖

■ **লিপিমণি দত্ত**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা


আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য


## অসম ৰত্ন ড° ভূপেন হাজৰিকা



অসম ৰত্ন বঁটা লাভ কৰা প্ৰথমগৰাকী ব্যক্তি হ'ল সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। অসম ৰত্ন হৈছে অসমৰ সৰ্বোচ্চ অসামৰিক সন্মান। সাহিত্য, কলা, বিজ্ঞান আৰু সমাজসেৱাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ বাবে এই বঁটা আগবঢ়োৱা হয়। ২০০৯ চনৰ পৰা প্ৰৱৰ্তন কৰা এই বঁটাত আছে এটি স্মাৰক, এখনি অংগবস্ত্ৰ আৰু নগদ তিনি লাখ টকা। অসম তথা ভাৰতবৰ্ষৰ গৌৰৱ একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, সংগীত পৰিচালক, চলচ্চিত্ৰ পৰিচালক, লেখক, চিত্ৰকৰ ড° ভূপেন হাজৰিকাক কলাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা স্মৰণীয় অৱদানৰ বাবে পোন প্ৰথমবাৰৰ বাবে ২০০৯ চনত এই বঁটা প্ৰদান কৰা হৈছিল। উল্লেখযোগ্য যে ২০১০ চনত অসম ৰত্ন বঁটা আগবঢ়োৱা হৈছিল বিশিষ্ট সাহিত্যিক ড° মামণি ৰয়ছম গোস্বামীক। ২০১৫ চনত বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে ড° জিতেন্দ্ৰ নাথ গোস্বামীক এই বঁটা প্ৰদান কৰা হয়। ❖

### তলৰ ছবি দুখনৰ ব্যক্তি দুজনক চিনাক্ত কৰা।





## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# চিৰিয়াখানাৰ আৰম্ভণি




চিৰিয়াখানাত থকা বনৰীয়া জীৱ-জন্তুবোৰ আমি নিৰ্ভয়মনেৰে চাব পাৰোঁ। অৰণ্যলৈ গৈ কিন্তু ইমানবোৰ জীৱ-জন্তু একেলগে চোৱা সম্ভৱ নহয়। চিৰিয়াখানাৰ পৰিকল্পনানো পোনপ্ৰথম কোনে কেতিয়া কৰিছিল? এই সন্দৰ্ভত অধ্যয়ন কৰি থকা ব্যক্তিসকলে প্ৰকাশ কৰা মতে, পোনপ্ৰথম চিৰিয়াখানা চীন দেশতেই আৰম্ভ হৈছিল। খ্ৰিষ্টপূৰ্ব ১১৫০-ত চীন দেশৰ সম্ৰাটে নিজৰ প্ৰাসাদৰ ভিতৰতেই পৰিয়ালৰ ব্যক্তিসকলৰ মনোৰঞ্জনৰ কাৰণে কেইবিধমান জীৱ-জন্তুৰে চিৰিয়াখানা প্ৰতিষ্ঠা কৰিছিল। এনে চিৰিয়াখানাসমূহত হৰিণা, চৰাই-চিৰিকটি আদিয়ে প্ৰধানকৈ স্থান পাইছিল। সাধাৰণ ৰাইজৰ বাবে স্থাপন কৰা প্ৰথম চিৰিয়াখানাখন ১৭৯৩ চনত পেৰিছত স্থাপন কৰা হৈছিল। দেশ-বিদেশৰ বন্য জীৱ-জন্তু, পশু-পক্ষীৰ পৰা আৰম্ভ কৰি হিংস্ৰ জন্তুবিলাক এই চিৰিয়াখানাত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। চিৰিয়াখানাখনৰ লগতে এখন উদ্ভিদ উদ্যান আৰু এটা যাদুঘৰো নিৰ্মাণ কৰা হৈছিল। ঊনবিংশ শতিকাৰ শেষৰ ফালে বিশ্বৰ প্ৰতিখন দেশেই চিৰিয়াখানাৰ গুৰুত্ব উপলব্ধি কৰি চিৰিয়াখানা স্থাপনৰ ব্যৱস্থা ল'লে। দেশখনত নথকা জীৱ-জন্তুও বিদেশৰ পৰা আনি চিৰিয়াখানাত ৰখাৰ ব্যৱস্থা কৰা হ'ল। মন কৰিবলগীয়া যে প্ৰচলিত অৰ্থত চিৰিয়াখানা বুলি ক'ব পৰা নগ'লেও ভাৰতত ঋষি-মুনিসকলে স্থাপন কৰা আশ্ৰমকো ইয়াৰ লগত ৰিজাব পাৰি। স্বাধীনভাৱে নিৰাপদে বিচৰণ কৰি ফুৰা বন্য জন্তুসমূহক ৰখা এনে আশ্ৰমসমূহকো চিৰিয়াখানাৰ সৰু আৰ্হি বুলি দাবী কৰিব পাৰি।

চিৰিয়াখানাক ইংৰাজীত জু (Zoo) বুলি কোৱা হয় আৰু এই শব্দটো হয়তো ইংৰাজী জুল'জী (Zoology) শব্দৰ পৰা আহিছে, তাৰ অৰ্থ হৈছে প্ৰাণীবিজ্ঞান। আমি কোৱা 'চিৰিয়াখানা' শব্দটো হিন্দীৰ 'চিৰিয়া' শব্দৰ পৰা অহা বুলি বহুতে ক'ব খোজে। হিন্দীত 'চিৰিয়া' মানে হৈছে চৰাই। ইয়াৰ লগত থকা 'খানা' শব্দটোৱে ঠাইক বুজায়। আমাৰ ৰাজ্যতো এখন চিৰিয়াখানা আছে। সেইখন ১৯৫৭ চনত গুৱাহাটীত প্ৰতিষ্ঠা কৰা হয় আৰু আজিলৈ সেইখনেই অসমৰ বাহিৰেও সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে প্ৰধান চিৰিয়াখানাৰূপে পৰিগণিত হৈ আহিছে। ❖

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৬৯

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 7 | | | 2 | | | 4 | 6 |
| | 6 | | | | | 8 | 9 | |
| 2 | | | 8 | | | 7 | 1 | 5 |
| | 8 | 4 | | 9 | 7 | | | |
| 7 | 1 | | | | | | 5 | 9 |
| | | | 1 | 3 | | 4 | 8 | |
| 6 | 9 | 7 | | | 2 | | | 8 |
| | 5 | 8 | | | | | 6 | |
| 4 | 3 | | | 8 | | | 7 | |

## চুড'কু ১৭০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 4 | | 5 | | | | |
| 9 | | | 7 | 3 | 4 | 6 | | |
| | | 3 | | 2 | 1 | | 4 | 9 |
| | 3 | 5 | | 9 | | 4 | 8 | |
| | 9 | | | | | | 3 | |
| | 7 | 6 | | 1 | | 9 | 2 | |
| 3 | 1 | | 9 | 7 | | 2 | | |
| | | 9 | 1 | 8 | 2 | | | 3 |
| | | | | 6 | | 1 | | |

## চুড'কু ১৬৭

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | 8 | 4 | 6 | 5 | 3 | 1 | 2 | 7 |
| 3 | 7 | 2 | 9 | 1 | 4 | 5 | 6 | 8 |
| 6 | 5 | 1 | 2 | 8 | 7 | 3 | 4 | 9 |
| 7 | 3 | 9 | 4 | 2 | 1 | 8 | 5 | 6 |
| 2 | 4 | 5 | 7 | 6 | 8 | 9 | 1 | 3 |
| 1 | 6 | 8 | 3 | 9 | 5 | 4 | 7 | 2 |
| 8 | 2 | 3 | 5 | 4 | 6 | 7 | 9 | 1 |
| 5 | 9 | 7 | 1 | 3 | 2 | 6 | 8 | 4 |
| 4 | 1 | 6 | 8 | 7 | 9 | 2 | 3 | 5 |

## চুড'কু ১৬৮

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 6 | 7 | 3 | 4 | 8 | 5 | 9 |
| 3 | 9 | 5 | 6 | 2 | 8 | 7 | 4 | 1 |
| 4 | 7 | 8 | 9 | 5 | 1 | 2 | 6 | 3 |
| 9 | 4 | 7 | 1 | 8 | 6 | 5 | 3 | 2 |
| 8 | 6 | 3 | 2 | 4 | 5 | 9 | 1 | 7 |
| 2 | 5 | 1 | 3 | 7 | 9 | 6 | 8 | 4 |
| 5 | 8 | 9 | 4 | 1 | 7 | 3 | 2 | 6 |
| 7 | 3 | 4 | 5 | 6 | 2 | 1 | 9 | 8 |
| 6 | 1 | 2 | 8 | 9 | 3 | 4 | 7 | 5 |

নিবন্ধ

# ফ'ৰ্ড মটৰ কোম্পানী

■ মন্দিৰা শৰ্মা

আমি সচৰাচৰ ফ'ৰ্ড (Ford) বুলি লিখা থকা বিভিন্ন যান-বাহন ৰাস্তাই-ঘাটে দেখা পাওঁ। ই এটা মটৰ কোম্পানী। ফ'ৰ্ড মটৰ কোম্পানী আমেৰিকাৰ এটা বহুজাতিক কোম্পানী। আজিৰ পৰা ১১৭ বছৰ আগতে অৰ্থাৎ ১৯০৩ চনৰ ১৬ জুনত হেনৰী ফ'ৰ্ডে প্ৰতিষ্ঠা কৰা এই কোম্পানীৰ প্ৰধান কাৰ্য্যালয় ডাৰবানত (Durban) অৱস্থিত। এই কাৰ্য্যালয়টোক গ্লাছ হাউছ বুলি জনা যায়। জাপান, চুডান, ইৰান, উত্তৰ কোৰিয়া আৰু কিউবাৰ বাহিৰে বিশ্বৰ সকলো দেশতে বিয়পি থকা ফ'ৰ্ড মটৰ কোম্পানীয়ে মটৰগাড়ী, বিলাসী বাহন, ট্ৰাক, এছ ইউ ভি আদি নিৰ্মাণ কৰাৰ উপৰি বাহন চুক্তি, বাহন সেৱা আদিও আগবঢ়ায়।

১৯০১ চনত হেনৰী ফ'ৰ্ডে তেওঁৰ নিজৰ নামেৰে এটা গাড়ী নিৰ্মাণ কোম্পানী খুলিছিল। পাছত ১৯০৩ চনত ১২ জন বিনিয়োগকাৰীৰ সহযোগত বৰ্তমানৰ ফ'ৰ্ড মটৰ কোম্পানী প্ৰতিষ্ঠা হয়। ইয়াৰ প্ৰথম সভাপতি আছিল জন এছ গ্ৰে (John S Gray) নামৰ এজন বেংক কৰ্মচাৰী। প্ৰথমাৱস্থাত আন কোম্পানীৰ পৰা গাড়ীৰ বিভিন্ন অংশ আনি কমসংখ্যক গাড়ীহে উৎপাদন কৰা হৈছিল। কিন্তু এটা দশকৰ পাছত কোম্পানীটোৱে নিজে গাড়ীৰ বিভিন্ন অংশ প্ৰস্তুত কৰি গাড়ী উৎপাদন কৰিব পৰা হ'ল। সাধাৰণ যাতায়াতৰ বাবে সুচল বাহনৰ উপৰি ফ'ৰ্ড মটৰ কোম্পানীয়ে ফৰ্মুলা ৱান (Formula one), কাৰ, ৰেলী কাৰ (Rally car) আদিও উৎপাদন কৰে। বিভিন্ন সময়ত বিভিন্ন কৌশল-সম্পন্ন বাহন বিভিন্ন দেশৰ প্ৰয়োজন অনুসৰি ফ'ৰ্ডে উৎপাদন কৰি আহিছে। ২০১৫ চনৰ উৎপাদনৰ ভিত্তিত ফ'ৰ্ড হৈছে আমেৰিকা যুক্তৰাজ্যৰ দ্বিতীয় বৃহৎ তথা বিশ্বৰ পঞ্চম বৃহৎ গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান।

আমেৰিকা যুক্তৰাজ্য, কানাডা, চীন, ভাৰত, জাৰ্মানী, ব্ৰাজিল, অষ্ট্ৰেলিয়া, গ্ৰেট ব্ৰিটেইন, মেক্সিক', তুৰ্কী, আৰ্জেণ্টিনা, দক্ষিণ আফ্ৰিকা আৰু ৰাছিয়াত এই কোম্পানীৰ উৎপাদন কেন্দ্ৰ আছে। বিশ্বব্যাপী থকা বৃহৎ ব্যৱসায় নিয়ন্ত্ৰণ কৰাৰ বাবে ফ'ৰ্ডৰ বহল পৰিসৰত গাড়ী উৎপাদন কৰাৰ পদ্ধতি আৰু ঔদ্যোগিক পৰিচালনাৰ অভিনৱ কৌশলক বিশ্বত ফ'ৰ্ডিজম (Fordism) বুলি জনা যায়।

ভাৰতবৰ্ষত ১৯৯৮ চনৰ পৰা চেন্নাই আৰু তামিলনাডুত ফ'ৰ্ডৰ উৎপাদন কাৰ্য্য আৰম্ভ হয়। তেতিয়াৰে পৰা ফ'ৰ্ডৰ গাড়ীৰ বিভিন্ন মডেল ভাৰতত নিৰ্মাণ কৰা হৈছে। বিশেষকৈ ফিগ' (Figo) মডেলটো ভাৰতীয় মানুহৰ সুবিধা আৰু ভাৰতীয় বজাৰৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা হৈছে। বজাৰ আৰু বিতৰণৰ ক্ষেত্ৰত ২০১৯ চনত ই ভাৰতৰ মহিন্দ্ৰা আৰু মহিন্দ্ৰা কোম্পানীৰ লগত চুক্তিবদ্ধ হৈছিল।

ফ'ৰ্ড কোম্পানীয়ে ইয়াৰ লাভৰ এটা অংশ জনকল্যাণমূলক কামত খৰচ কৰে। কোম্পানীটোৱে এই ধনেৰে শিক্ষা, সমাজ কল্যাণ, প্ৰযুক্তি গৱেষণা, সুৰক্ষিত গাড়ী চালনা আদি ক্ষেত্ৰত সেৱা আগবঢ়ায়। ইয়াৰ উপৰি বহু খেলৰ সুব্যৱস্থাপনা ফ'ৰ্ড কোম্পানীয়ে কৰি আহিছে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (জুলাই)

১। কুশিয়াৰা নৈ। ২। সন্ধ্যাচল। ৩। ভানুমতী। ৪। মাধৱদেৱক। ৫। সোৱণশিৰি।

নিবন্ধ

# ভাৰতৰ পেট্ৰ'লিয়াম উদ্যোগৰ ইতিহাস

■ হিমাদ্ৰী বৰা

খাৰুৱা তেলৰ আৱিষ্কাৰ তথা পেট্ৰ'লিয়াম উদ্যোগৰ প্ৰসাৰ সমগ্ৰ মানৱ সভ্যতাৰ এক অভূতপূৰ্ব সংযোজন। পেট্ৰ'লিয়াম উদ্যোগে মানৱ সভ্যতাক এক বিশেষ স্তৰলৈ আগবঢ়াই লৈ গ'ল।




ভাৰতৰ পেট্ৰ'লিয়াম উদ্যোগৰ প্ৰসাৰে সমগ্ৰ বিশ্বতে এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ পেট্ৰ'লিয়াম উদ্যোগৰ সূচনা হৈছিল অসমত। অসমত ব্ৰিটিছ শাসনৰ সময়ত অৰ্থাৎ ১৮৬৬ চনত অসমৰ নাহৰপুঙত খাৰুৱা তেলৰ সন্ধান পোৱা গৈছিল যদিও ১৮৮২ চনতহে ডিগবৈত তেলৰ এক বৃহৎ ভাণ্ডাৰ আৱিষ্কাৰ হৈছিল। ডিব্ৰুগড়ৰ পৰা লিডুলৈকে ৰেল লাইনৰ কাম কৰি থকা সময়তে তেলৰ এই বৃহৎ ভাণ্ডাৰৰ কথা পোহৰলৈ আহে আৰু ইয়াৰ লগে লগে ভাৰতৰ পেট্ৰ'লিয়াম উদ্যোগৰ যাত্ৰা আৰম্ভ হয়। ১৮৮৯ চনত ডিগবৈত সমগ্ৰ ভাৰতৰ ভিতৰত পোনপ্ৰথম তেলৰ উদ্‌ঘাটন কাৰ্য্য আৰম্ভ হয়। এই আৱিষ্কাৰে ভাৰতবৰ্ষৰ ঔদ্যোগিক উন্নয়নক এক নতুনত্ব প্ৰদান কৰিলে। সেই সময়ত অসমৰ 'দি আছাম ৰেলৱেজ এণ্ড ট্ৰেডিং কোম্পানী'য়ে (The Assam Railways and Trading Company, ARTC) ব্যৱসায় সম্প্ৰসাৰণৰ বাবে ৰেল লাইন স্থাপন কৰাৰ লগতে নতুন নতুন ঠাইত তেল উদ্‌ঘাটনৰ কাম আৰম্ভ কৰে। ১৮৯০ চনত প্ৰথমটো তেল খাদৰ কাম সম্পূৰ্ণ হয়। ১৮৯৩ চনত মাৰ্ঘেৰিটাত তেল শোধনৰ কাম তেনেই চালুকীয়াভাৱে আৰম্ভ হয়। পৰৱৰ্তী সময়ত ১৯০১ চনত ডিগবৈত ভাৰত তথা এছিয়াৰ প্ৰথমটো তেল শোধনাগাৰ স্থাপন হোৱাত মাৰ্ঘেৰিটাৰ সকলো কাম-কাজ ডিগবৈলৈ স্থানান্তৰিত কৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫) সময়ত ডিগবৈৰ তেলৰ পথাৰখনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সেই সময়ত ডিগবৈত প্ৰতিদিনে প্ৰায় ৭০০০ বেৰেল তেল উৎপাদন কৰা হৈছিল। ব্ৰিটিছ শাসনৰ সময়ত ভাৰতৰ তেলৰ বজাৰখন বিভিন্ন ব্ৰিটিছ কোম্পানীৰ হাতত আছিল। এনে সময়তে বাৰ্মা আৰু অসমত নতুনকৈ আৱিষ্কাৰ হোৱা তেল খাদসমূহৰ পৰিচালনাৰ বাবে ১৯০৯ চনত ৰেংগুণত 'ইণ্ডো-বাৰ্মা পেট্ৰ'লিয়াম' (Indo-Burma Petroleum) গোষ্ঠীয়ে দায়িত্ব লয়। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ব্ৰিটিছ উদ্যোগসমূহক সহায় কৰিবলৈ তেলৰ উৎপাদন ক্ষিপ্ৰগতিত বৃদ্ধি কৰা হৈছিল।

১৯২৮ চনত 'এছিয়াটিক পেট্ৰ'লিয়াম কোম্পানী', 'ইণ্ডিয়া এণ্ড বাৰ্মা অইল কোম্পানী' লগ হৈ 'বাৰ্মা শ্বেল অইল ষ্ট'ৰেজ এণ্ড ড্ৰিষ্টিবিউটিং কোম্পানী অৱ ইণ্ডিয়া লিমিটেড'ৰ (Buamah Shell Oil Storage and Distributing Company of India Limited) গঠন কৰে। এই কোম্পানীয়ে লাহে লাহে কেৰাছিনৰ আমদানি আৰু বিপণনৰ কাম আৰম্ভ কৰে। ১৯৭৬ চনৰ ২৪ জানুৱাৰীত ভাৰত চৰকাৰে এই বাৰ্মা শ্বেল কোম্পানী অধিগ্ৰহণ কৰি বি আৰ এল (Bharat Refineries Limited, BRL) গঠন কৰে, যাক ১৯৭৭ চনৰ ১ আগষ্টত ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেড, বিপিচিএল (Bharat Petroleum Corporation Limited, BPCL) নামেৰে নামকৰণ কৰা হয়।

## নিবন্ধ

ব্ৰিটিছ শাসনত আৰম্ভ হোৱা পেট্ৰ'লিয়াম উদ্যোগে ভাৰতৰ স্বাধীনতাৰ পিছত এক নতুন ৰূপ পৰিগ্ৰহ কৰে। ইয়াৰ আগতে বিদেশী কোম্পানীসমূহে তেলৰ উৎপাদন আৰু বিপণনৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰি আহিছিল যদিও ১৯৫৬ চনত ভাৰত চৰকাৰে গ্ৰহণ কৰা ঔদ্যোগিক নীতিৰ ফলশ্ৰুতিত পেট্ৰ'লিয়াম উদ্যোগৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ ভাৰত চৰকাৰৰ অধীনলৈ আহে। ইন্ধনৰ উৎসসমূহৰ উন্নয়ন আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ উৎপাদন আৰু বিপণনৰ বাবে ভাৰত চৰকাৰে ১৯৫৯ চনৰ অক্ট'বৰত সংসদত এখন আইন পাছ কৰি এক নিগম গঠন কৰে। যাক আমি সম্প্ৰতি অ'এনজিচি (Oil and Natural Gas Corporation, ONGC) বুলি জানো।

পেট্ৰ'লিয়াম উদ্যোগৰ প্ৰসাৰৰ বাবে ভাৰতে বিভিন্ন উন্নত তথা বিদেশী প্ৰযুক্তি আৰু কৌশলৰ সহায় লৈছে। ফলত পৰৱৰ্তী সময়ত সাগৰতো তেলৰ সন্ধান লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতত ঊনবিংশ শতিকাৰ ষাঠিৰ দশকতে পেট্ৰ'লিয়াম উদ্যোগৰ ইতিহাস আৰম্ভ হৈছিল যদিও বৰ্তমান সময়ত ক্ষিপ্ৰগতিত বাঢ়ি অহা জনসংখ্যা আৰু ঔদ্যোগিক প্ৰসাৰৰ বাবে ভাৰতে বিদেশৰ পৰা বৃহৎ পৰিমাণৰ খাৰুৱা তেল আমদানি কৰিবলগীয়া হয়। ❖

## ক্ৰীড়াংগন

# ইউৰো কাপ প্ৰতিযোগিতা

■ **ডিম্পল তালুকদাৰ**

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণৰ বাবে বিগত সময়ত সকলো ক্ষেত্ৰলৈ নামি আহিল পৰিৱৰ্তন। ২০২০ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰাই লাহে লাহে এখন-দুখনকৈ বিশ্বৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহ বাতিল হ'বলৈ ধৰে। ইয়াৰ পাছত সমগ্ৰ বিশ্বতে আৰম্ভ হয় লকডাউন। লকডাউনৰ ফলত সকলো ক্ষেত্ৰতে স্থবিৰতা অহাৰ দৰে ক্ৰীড়া ক্ষেত্ৰখনো হৈ পৰিছিল সম্পূৰ্ণৰূপে স্থবিৰ। বাতিল হৈছিল বিভিন্ন সৰু-বৰ ক্ৰীড়া প্ৰতিযোগিতাৰ লগতে অলিম্পিকৰ দৰে বিশ্ব ক্ৰীড়া সমাৰোহ। অলিম্পিকৰ উপৰি ২০২০ চনত পিছুৱাই দিয়া অন্যান্য ক্ৰীড়া প্ৰতিযোগিতাৰ ভিতৰত আন এক গুৰুত্বপূৰ্ণ প্ৰতিযোগিতা হ'ল ইউৰো কাপ বা উৱেফা ইউৰোপীয়ান চেম্পিয়নশ্বিপ। অৱশেষত বহু প্ৰতীক্ষাৰ অন্তত ১১ জুনৰ মাজনিশাৰ পৰা জাকজমকতাৰে অনুষ্ঠিত হ'ল ইউৰো কাপ ফুটবল প্ৰতিযোগিতা। এইবাৰৰ ইউৰো কাপ প্ৰতিযোগিতাত ইউৰোপৰ মুঠ ২৪ খন শক্তিশালী দেশে অংশগ্ৰহণ কৰিছিল। বৰ্তমানলৈকে এই প্ৰতিযোগিতাখনৰ ১৫টা সংস্কৰণ মুঠ ১৪ খন দেশে অনুষ্ঠিত কৰিছে। কিন্তু প্ৰতিযোগিতাৰ ৬০ বছৰীয়া ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতা এইবাৰ ১১ খন দেশে একেলগে অনুষ্ঠিত কৰিছিল। এই ১১ খন দেশ হৈছে আজাৰবাইজান, ডেনমাৰ্ক, ইংলেণ্ড, জাৰ্মানী, হাংগেৰী, ইটালী, নেদাৰলেণ্ড, ৰোমানিয়া, ৰাছিয়া, স্কটলেণ্ড আৰু স্পেইন। প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখন অনুষ্ঠিত হৈছিল ১১ জুলাইত লণ্ডনৰ উইম্বলি (Wimbley) ষ্টেডিয়ামত।

এইবাৰৰ ইউৰো কাপ প্ৰতিযোগিতাৰ দলসমূহক ছটা গ্ৰুপত বিভক্ত কৰা হৈছিল। প্ৰতিটো গ্ৰুপতেই আছিল চাৰিটাকৈ দল।

গ্ৰুপ 'এ'—তুৰ্কী, ইটালী, ৱেলচ্, ছুইজাৰলেণ্ড; গ্ৰুপ 'বি'—ডেনমাৰ্ক, ফিনলেণ্ড, বেলজিয়াম আৰু ৰাছিয়া; গ্ৰুপ 'চি'—নেদাৰলেণ্ড, ইউক্ৰেইন, অষ্ট্ৰিয়া আৰু চেক গণৰাজ্য; গ্ৰুপ 'ডি'—ইংলেণ্ড, ক্ৰৱেছিয়া,




স্কটলেণ্ড আৰু উত্তৰ মেচিডনিয়া; গ্ৰুপ 'ই'—স্পেইন, ছুইডেন, পোলেণ্ড আৰু শ্ল'ভাকিয়া; গ্ৰুপ 'এফ'—হাংগেৰী, পৰ্টুগাল, ফ্ৰান্স আৰু জাৰ্মানী।

ইউৰো কাপ প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল ১৯৬০ চনত। অৱশ্যে এই প্ৰতিযোগিতাৰ আঁৰৰ ধাৰণাটো বহু পুৰণি। ১৯২৭ চনতেই ফৰাছী ফুটবল ফেডাৰেছনৰ প্ৰশাসক হেনৰী ভেলাৰেনে সমগ্ৰ ইউৰোপ জোৰা এখন ফুটবল প্ৰতিযোগিতাৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই প্ৰতিযোগিতাখন আৰম্ভ হোৱাৰ সময়ত ইয়াৰ নামকৰণ কৰা হৈছিল উৱেফা নেছনছ কাপ নামেৰে। ১৯৬৮ চনত ইয়াৰ নাম সলনি কৰি উৱেফা ইউৰোপিয়ান চেম্পিয়নশ্বিপ নাম দিয়া হয়। প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণত অংশগ্ৰহণ কৰিছিল মুঠ ৪টা দলে। এই দলকেইটা আছিল চেকোশ্লাভিয়া, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন আৰু যুগোশ্লাভিয়া। এনেদৰেই ১৯৬০ চনৰ পৰা বৰ্তমানলৈকে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা দেশৰ সংখ্যা বৃদ্ধি হৈ অহাৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে জনপ্ৰিয়তা।

ইউৰো কাপ প্ৰতিযোগিতাখন দুই প্ৰকাৰে অনুষ্ঠিত হয়। প্ৰথমে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইউৰোপীয় দেশসমূহে যোগ্যতা অৰ্জনকাৰী খেলত অংশগ্ৰহণ কৰিব লাগে আৰু ইয়াৰ পাছত যোগ্যতা অৰ্জন কৰা দেশসমূহে মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। অৱশ্যে আয়োজক দেশে এই প্ৰতিযোগিতাখনত পোনপটীয়াকৈ প্ৰৱেশৰ সুযোগ লাভ কৰে।

আৰম্ভণিৰ পৰা বৰ্তমানলৈকে এই প্ৰতিযোগিতাত মুঠ ১০ খন দেশে চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। ইয়াৰ ভিতৰত এতিয়ালৈ জাৰ্মানী আৰু স্পেইনে সৰ্বাধিক ৩ বাৰকৈ চেম্পিয়নৰ খিতাপ দখল কৰিছে। আনহাতে ইউৰো কাপৰ ইতিহাসত একেৰাহে দুবাৰকৈ চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হোৱা একমাত্ৰ দেশখন হৈছে স্পেইন। পৰ্টুগালে বিগত সংস্কৰণৰ ইউৰো কাপ প্ৰতিযোগিতাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। এইবাৰৰ অৰ্থাৎ ২০২১ চনৰ ইউৰো কাপ প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ইটালীয়ে ইংলেণ্ডক পেনাল্টী ছুট আউটৰ সহায়ত ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। এইবাৰৰ প্ৰতিযোগিতাত পৰ্টুগালৰ ক্ৰিষ্টিয়ানো ৰ'নাল্ডো শ্ৰেষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হয়। তেওঁ প্ৰতিযোগিতাখনত সৰ্বমুঠ ৫টা গ'ল স্ক'ৰ কৰি ইউৰো কাপৰ সৰ্বাধিক গ'লদাতা (১৪টা গ'ল) হিচাপে অভিলেখ স্থাপন কৰিবলৈ সক্ষম হয়। ❖

# কুইজৰ উত্তৰসমূহ

১) ফিমাৰ বা উৰ্বস্থি আৰু কাণত থকা ষ্টিৰাপ। ২) ১৩ সংখ্যাটোলৈ। ৩) এনী বেচাণ্ট (১৯১৭)। ৪) গৌটেং (Gauteng)। ৫) ম্যানমাৰ। ৬) কনকলাল বৰুৱা। ৭) কাকডোঙা। ৮) লোধী বংশৰ শেষ ৰজা ইব্ৰাহীম লোধীক। ৯) মাৰ্গাৰেট মিট্‌চেলৰ 'গান উইথ দ্য উইণ্ড'। ১০) চেক গণৰাজ্য, শ্লোভাকিয়া। ১১) লিচটেনষ্টেইন। ১২) তানসেন। ১৩) প্যাৰেনিজ (Pyrenees)। ১৪) সোণা মাকৰি। ১৫) মূলাগাভৰু। ১৬) ৰংমন, দস্যু ভাস্কৰ ছিৰিজ। ১৭) কুমাৰ ভাস্কৰ বাৰ্মা। ১৮) ৫২ নম্বৰ আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথক। ১৯) মাইবং। ২০) কুইন এম্‌প্ৰেছ বঁটা। ২১) হেম বৰুৱা ❖

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ সম্পৰ্কটোত * চিনৰ ঠাইত বহিবলগীয়া চিনবোৰ একাদিক্ৰমে কি হ'ব?

   8 * 5 * 2 * 72 * 4

   a) =, ×, +, ÷ b) ×, =, +, ÷ c) ×, +, =, ÷ d) +, ×, =, ÷

2. A, B, C, D, E পাঁচজন মানুহ উত্তৰমুৰাকৈ মুখ কৰি এটা শাৰীত থিয় হৈ আছে। B ৰ পৰা বাঁওফালে 40 মিটাৰ দূৰত্বত E থিয় হৈ আছে। C ৰ বাঁওফালে 20 মিটাৰ দূৰত্বত A থিয় হৈ আছে। E ৰ সোঁফালে 20 মিটাৰ দূৰত্বত আৰু C ৰ সোঁফালে 50 মিটাৰ দূৰত্বত D থিয় হৈ আছে। A আৰু D ৰ মাজৰ দূৰত্ব কিমান?

   a) 50 মিটাৰ b) 60 মিটাৰ c) 70 মিটাৰ d) 80 মিটাৰ

3. 4 ইঞ্চি দৈৰ্ঘ্যবিশিষ্ট এটা গোটা ঘনকৰ এযোৰ মুখামুখি পিঠিত ৰঙা, আন এযোৰ মুখামুখি পিঠিত নীলা আৰু আন এযোৰ মুখামুখি পিঠিত সেউজীয়া ৰং কৰা হ'ল। এতিয়া ঘনকটো কাটি কিছুমান 1 ইঞ্চি দৈৰ্ঘ্যবিশিষ্ট ঘনক পোৱা গ'ল। কাটি উলিওৱা এনে কিমানটা ঘনকৰ তিনিখন পিঠিত ৰং কৰা থাকিব?

   a) 4 b) 8 c) 12 d) 16

4. যদি কোনো এটা সংকেতত UNIVERSITY শব্দটোক 1273948756 ৰে বুজোৱা হয়, তেন্তে সেই সংকেতত TRUSTY শব্দটো কিদৰে বুজোৱা হ'ব?

   a) 542856 b) 531856 c) 541856 d) 541956

5. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

   24, 29, 39, ?, 74

   a) 49 b) 54 c) 44 d) 50

6. '?' চিনৰ ঠাইত কি বহিব?

   BE, HK, NQ, ?

   a) PR b) SU c) TW d) UW

7. '?' চিনৰ ঠাইত কি বহিব?

   AZBY, CXDW, EVFU, ?

   a) JTGS b) GSIT c) GISI d) GTHS

**উত্তৰসমূহ :**

1. d 2. c 3. b 4. c 5. b 6. c 7. d

# A Midsummer Night's Dream

■ **Bhaktimala Saikia**

Characters of the Play:**Egeus:**An Athenian nobleman; **Duke Theseus:** Duke of Athens; **Hermia:** Daughter of Egeus; **Helena:** Hermia’s friend who loves Demetrius; **Demetrius:** The man chosen by Egeus to be Hermia’s husband; **Lysander:** Hermia’s true lover; **Oberon:** King of the fairies in Fairyland; **Titania:** Queen of the fairies in Fairyland; **Puck:** The merriest and most mischievous of Oberon’s fairies; **Bottom:** A simple, stupid country fellow; **Pease-blossom/ Cobweb/ Moth/ mustard-seed:** Titania’s fairies

Long ago there was a custom in Athens. A father has to choose the husband for his daughter. There was also a cruel law. If the daughter refused to marry the man of her father’s choice she would be put to death. But this law was never put into force.




One day an Athenian nobleman, Egeus made a complaint before Duke Theseus about his daughter. His daughter Hermia refused to marry Demetrius whom he had chosen as her husband. Hermia was in love with Lysander. She wanted to marry him. She told the duke that she did not like Demetrius. She also told that her friend Helena was madly in love with Demetrius. So, he should marry her.

Duke Theseus sympathised with Hermia and Lysander. But he had to show respect for the law and for old Egeus. So, he gave Hermia four days to reconsider the matter. After four days if she did not obey her father, she must die.

Worried Hermia went to Lysander and told him everything that happened. Lysander remembered that he had a wealthy aunt who was a childless widow. She lived far away from Athens beyond the reach of the Athenian laws. He decided to flee with Hermia to his aunt’s home and to get married there.

He told Hermia to leave her father’s home that night and to meet him in the wood outside the city. It was the same place where they used to play as children, where they went for delightful walks.

Hermia happily agreed. Just then Helena joined them. She was Hermia’s best friend. They trusted her and so they told her about their plan. Helena who was in love with Demetrius told him of their plan. She knew that Demetrius would follow Hermia and she would follow him. Foolish Helena betrayed her friend in order to have the pleasure of following the man who no longer loved her. ❖

*(To be continued)*

# The migration of birds

■ Dimple Talukdar



The word 'migration' comes from the Latin word, 'migratus', which means "to change". It is the mass movement of groups of animals or birds. Migration is the movement of an animal from one region, or habitat, to another. This happens at regular intervals of time and during a particular season. It is caused in order to breed, grow, find food or avoid cold weather. For birds, this occurs twice a year. They migrate in the spring and again in the fall. Every autumn, for examples, swallows, swifts and martins migrate to Africa from northern when the weather becomes too cold for them to collect their food. Again they return in spring, when the weather in northern Europe begins to warm up.

The Arctic Tern has the longest known migration routes of any bird we know. They travel from the Arctic to Antarctic and then back again. It passes through Japan, Alaska, Canada and Fiji on its flight–before returning home again to breed. ❖

# What is screen time ?


Screen time is the amount of time that someone spends using a device with a screen such as a smartphone, computer, laptop, television, or video game console etc. The American Academy of Pediatrics calls for no screen time at all for children until 18 to 24 months, except for video chatting. Again they say kids ages 2 to 5 should get an hour or less of screen time per day. The AAP (American Academy of Pediatrics) has recommended not more than two hours of screen time for children and teenagers. With moderation, there are some benefits of screen time to the students, which includes online classes, school related homework and research.



Though playing video games can improve motor skills and coordination; yet too much use of such gadgets harm our mental and physical health. ❖

# ধুবুৰী-ফুলবাৰী দলং

■ চন্দনা মেধি চৌধুৰী




ধুবুৰী-ফুলবাৰী দলংখন হৈছে উত্তৰ-পূব ভাৰতৰ অসম আৰু মেঘালয়ৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত প্ৰস্তাৱিত ষষ্ঠখন দলং। নদীৰ ওপৰত নিৰ্মিত দলঙৰ ভিতৰত ই ভাৰতৰ এক দীৰ্ঘতম দলং হিচাপে পৰিগণিত হ'ব। ইয়াৰ সম্পূৰ্ণ দৈৰ্ঘ্য হ'ব প্ৰায় ১৯ কিল'মিটাৰতকৈও বেছি (কেৱল নৈখনৰ ওপৰত ইয়াৰ দৈৰ্ঘ্য হ'ব ১২.৬ কিল'মিটাৰ)। বাংলাদেশ সীমান্তৰ নিচেই ওচৰত অৱস্থিত এই প্ৰস্তাৱিত দলংখনে অসমৰ ধুবুৰীৰ সৈতে মেঘালয়ৰ ফুলবাৰীক সংযুক্ত কৰিব। দলংখনৰ নিৰ্মাণ কাৰ্য্য কৰিব L&T (Larsen & Toubro) নামৰ এটা ভাৰতীয় বহুজাতিক কোম্পানীয়ে। তদুপৰি নিৰ্মাণ কাৰ্য্যৰ আৱশ্যকীয় ধন যোগান ধৰিব জাপান আন্তৰ্জাতিক সহযোগিতা সংস্থাই (Japan International Cooperation Agency, JICA) আৰু ইয়াৰ তদাৰকী কৰিব ৰাষ্ট্ৰীয় ঘাইপথ আৰু উন্নয়ন নিগম লিমিটেডে (NHIDCL = National Highways and Infrastructure Development Corporation Limited)। দলংখন নিৰ্মাণত সম্পূৰ্ণ খৰচ কৰা হ'ব প্ৰায় ৩,১৬৬ কোটি টকা। দলংখনৰ নিৰ্মাণৰ ফলত ভূটান, নেপাল আৰু বাংলাদেশৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ব্যাৱসায়িক দিশৰ উত্তৰণ ঘটিব বুলি আশা কৰা হৈছে। তদুপৰি শিক্ষা, স্বাস্থ্য, পৰ্যটন, নিযুক্তিৰ সম্ভাৱনীয়তা আদি দিশৰ বিকাশ সাধন হোৱাৰ লগতে নতুন দিশৰ সঞ্চাৰ কৰিব।

এই দলংখন আন্তঃৰাষ্ট্ৰীয় সীমাৰ সমীপত নিৰ্মিত হ'ব, গতিকে সীমান্তৱৰ্তী এলেকাৰ সৈতে সামৰিক সংঘাত হ'লে ইয়াৰ জৰিয়তে ভাৰতীয় সেনা বাহিনীৰ যুদ্ধৰ সা-সঁজুলি পৰিবহনত পূৰ্বতকৈ কম সময়ৰ প্ৰয়োজন হ'ব। অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ দিশত ই ভাৰতক বহু পৰিমাণে লাভান্বিত কৰিব। দলংখন নিৰ্মাণৰ কাম ২০২৮ বৰ্ষৰ ছেপ্টেম্বৰ মাহত সম্পূৰ্ণ হ'ব বুলি ঠাৱৰ কৰা হৈছে।

স্মৰ্তব্য যে অটল বিহাৰী বাজপেয়ীৰ কাৰ্য্যকালতেই এই দলং নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই ক্ষেত্ৰত আগভাগ লৈছিল তদানীন্তন লোকসভাৰ অধ্যক্ষ পি এ চাংমাই। বিভিন্ন কাৰণত ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱা নাছিল যদিও অৱশেষত ২০২১ চনৰ ১৮ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰ্চুৱেল মাধ্যমেৰে ইয়াৰ আধাৰশিলা স্থাপন কৰে।

আধাৰশিলা স্থাপনৰ দিনাখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছিল যে, "ধুবুৰীৰ পৰা মেঘালয়ৰ ফুলবাৰীলৈ নিৰ্মাণ হ'বলগীয়া ১৯ কিল'মিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে কেৱল দুয়োটা অঞ্চলৰ মাজৰ যোগাযোগেই যে সুদৃঢ় কৰিব তেনে নহয়, বৰঞ্চ মেঘালয়ৰ লগতে মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আদি ৰাজ্যৰ লগত অসমৰ পথৰ দূৰত্বও কম হ'ব।" এই ঠাই দুখনৰ মাজত স্থলপথেৰে দূৰত্ব হৈছে ২৫০ কিল'মিটাৰ, কিন্তু এই দলংখনৰ নিৰ্মাণৰ ফলত দুয়োখন ঠাইৰ মাজৰ দূৰত্ব মাত্ৰ ১৯-২০ কিল'মিটাৰত পৰিণত হ'ব।

অৰ্থাৎ ৬ ঘণ্টাৰ কষ্টদায়ক যাত্ৰাৰ ঠাইত ২০-৩০ মিনিটৰ সুগম যাত্ৰাত পৰিণত হোৱাত এই দলংখনে সহায় কৰিব।

মুঠৰ ওপৰত ধুবুৰী-ফুলবাৰী দলং নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'লে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বহু প্ৰত্যাশিত সপোন বাস্তৱায়িত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। ❖

# বিটল্‌ছ

■ বিকাশ তালুকদাৰ




পাশ্চাত্য সংগীত অনুৰাগীৰ বাবে বিটল্‌ছ (Beatls) এক খুব চিনাকি নাম। ই এটা ৰক্ বেণ্ড। ইয়াৰ জন্ম হৈছিল ১৯৬০ চনত ইংলেণ্ডৰ লিভাৰপুলত। এই বেণ্ডটোৰ মূল মানুহকেইগৰাকী হ'ল জন লেনন (John Lennon), পল মেককাৰ্টনী (Paul McCartny), জৰ্জ হেৰিছন (George Harison) আৰু ৰিংগো ষ্টাৰ (Ringo Starr)। বিটল্‌ছৰ প্ৰথম এলবামটোৰ নাম আছিল 'Please Please Me' (১৯৬৩)। এইসমূহ গানৰ কথা আছিল যুৱচামৰ ভাব-ভংগীৰ পোনপটীয়া প্ৰকাশ। গানৰ কথাৰ লগতে বাদ্যযন্ত্ৰৰ অপূৰ্ব সংযোজনেৰে এই এলবামটো কম সময়তে জনপ্ৰিয় হৈ পৰে।

তেওঁলোকে ১৯৬৪ চনত সেই সময়ৰ আমেৰিকাৰ বিখ্যাত গায়ক তথা গীতিকাৰ, লেখক বব ডিলানৰ (Bob Dylan) গীতিশৈলীৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈ তেওঁক সাক্ষাৎ কৰে। ইয়াৰ পিছৰ পৰাই বিটল্‌ছে গানৰ প্ৰধান অংগ গানৰ কথাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়। এনেকৈয়ে তেওঁলোক আমেৰিকাৰ সংগীত জগতৰ বিখ্যাত ব্যক্তিসকলৰ প্ৰিয় হৈ আমেৰিকাতো সমাদৃত হৈ পৰে।

৬০ৰ দশকত আমেৰিকাত মানৱ অধিকাৰক লৈ বৰ্ণবৈষম্যৰ আন্দোলনতো বিটল্‌ছে গানৰ জৰিয়তে এক জাগৰণৰ সৃষ্টি কৰে। এনেকৈ তেওঁলোকে গানৰ মাজেৰে মানৱীয় মূল্যবোধৰ বাৰ্তা আগবঢ়ায়। 'All you need is love' এই গানটোৰ জৰিয়তে তেওঁলোকে যুদ্ধৰ বিপৰীতে শান্তিৰ বাৰ্তা প্ৰচাৰ কৰে।

বিটল্‌ছৰ গানসমূহত ভোগবাদী চিন্তাৰ বিপৰীতে আধ্যাত্মিক চিন্তাৰ প্ৰকাশ ঘটিছিল। যুদ্ধ-বিগ্ৰহৰ বিপৰীতে শান্তিৰ পৃথিৱী এখন তেওঁলোকে বিচাৰিছিল।

বিটল্‌ছৰ উল্লেখযোগ্য এলবামসমূহৰ ভিতৰত ১৯৬৭ চনৰ 'Sgt. Pepper's Lonely Hearts Club Band' এলবামখনৰ জৰিয়তে গীতৰ কথা, গায়কী, বাদ্যযন্ত্ৰৰ আধুনিক সংযোজন আদিৰে পাশ্চাত্য সংগীতত এক নতুন ধাৰাৰ সৃষ্টি কৰে। এই এলবামৰেই 'Lucy in the sky with Diamonds' গানটোৱে আমেৰিকা আৰু কানাডাত অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰে। তদুপৰি, Hey Jude (১৯৬৮), A day in the life (১৯৬৭), Yesterday (১৯৬৮), Something (১৯৬৯) ইত্যাদি বিটল্‌ছৰ চিৰসেউজ গান। হেৰিছনে ভাৰতীয় চেতাৰবাদক ৰবি শংকৰৰ পৰা চেতাৰ বাদনৰ শিক্ষা গ্ৰহণ কৰে আৰু John Lennonৰ কথাৰে Norwagian Wood (১৯৬৫) গানটোত পোনপ্ৰথমবাৰৰ বাবে চেতাৰৰ ব্যৱহাৰ কৰি ভাৰতীয় বাদ্যযন্ত্ৰ সংযোজন কৰে।

১০ এপ্ৰিল, ১৯৭০ চন। সেইদিনা পল মেককাৰ্টনীয়ে আন্তৰ্জাতিক সংবাদ মাধ্যমত বিটল্‌ছ ভংগৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰে। ১৯৬০ চনৰ চফল ডেকা মেককাৰ্টনী, লেনন, হেৰিছন আদি সদস্যসকলে পৰৱৰ্তী সময়ত একোগৰাকী সংগীত বিশেষজ্ঞ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁলোকে নিজস্বভাৱে সংগীতৰ ক্ষেত্ৰখনত অৱদান আগবঢ়োৱাত মনোনিৱেশ কৰে। হয়তো নিজৰ সাধনাত ব্যাঘাত জন্মিব বুলি ভাবি বা বেণ্ডটোত পৰ্য্যাপ্ত সময় দিব নোৱাৰিব বুলি ধাৰণা কৰিয়েই তেওঁলোকে বেণ্ডটো ভংগ কৰে। ❖

# কুইজ

১। মানৱ শৰীৰত থকা আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু হাড় দুডালৰ নাম কি কি?

২। কাৰোবাৰ যদি ট্ৰিছকেইডেকাফবিয়া (Triskaidekaphobia) থাকে, তেন্তে তেওঁ কিহলৈ ভয় কৰে বাৰু?

৩। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম সভাপতি আছিল উমেশ চন্দ্ৰ বেনাৰ্জী। এই কংগ্ৰেছৰ সভাপতি হোৱা প্ৰথমগৰাকী মহিলাৰ নাম কি?

৪। দক্ষিণ আফ্ৰিকাৰ তিনিখন ৰাজধানীৰ এখন জোহানেছবাৰ্গ দেশখনৰ এখন প্ৰদেশৰো ৰাজধানী। প্ৰদেশখনৰ নাম কি?

৫। পাটকাই পাহাৰ শ্ৰেণীয়ে ভাৰতক কোন দেশৰ পৰা পৃথক কৰিছে?

৬। ১৯৩৪ চনৰ অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে 'আৰ্লি হিষ্ট্ৰী অৱ কামৰূপ' (Early History of Kamrupa) নামৰ পুথি এখন ৰচনা কৰিছিল। তেওঁ কোন?

৭। অসমৰ প্ৰাচীন নামঘৰসমূহৰ ভিতৰত গোলাঘাটৰ আঠখেলীয়া নামঘৰ অন্যতম। এই নামঘৰটো কোনখন নদীৰ পাৰত অৱস্থিত?

৮। কোন বংশৰ ৰজাক ১৫২৬ চনত পৰাস্ত কৰি বাবৰে ভাৰতত মোগল সাম্ৰাজ্য স্থাপন কৰিছিল?

৯। আফটাৰ অল টুমৰো ইজ এনাদাৰ ডে (After All Tomorrow is Another Day) কোনখন বিখ্যাত গ্ৰন্থ এই বাক্যটোৰে আৰম্ভ হৈছে, যিখন লেখিকাৰ একমাত্ৰ উপন্যাস?

১০। ভেলভেট বিপ্লৱৰ দ্বাৰা বিভাজিত হৈ সৃষ্টি হোৱা দেশ দুখনৰ নাম কি?

১১। অষ্ট্ৰিয়া আৰু ছুইজাৰলেণ্ডৰ মাজত ৰাইন নদীৰ উজনি ভাগত থকা কোনখন সৰু দেশৰ ৰাজধানী হ'ল ভাডুজ?

১২। আকবৰৰ ৰাজসভাত নৱৰত্নসকলৰ কোনজনৰ প্ৰকৃত নামটো হ'ল ৰামতানু পাণ্ডে?

১৩। ফ্ৰান্স আৰু স্পেইনৰ মাজত থকা কোনটো পৰ্বতশ্ৰেণীয়ে দুয়োখন দেশক বিভক্ত কৰিছে?

১৪। পূৰ্ঠ ডেমডেউকাৰ গুটি এটা পিটিকি দিলে যি গঢ় লয়, তেনে আকৃতিৰ এবিধ কেৰুজাতীয় অলংকাৰ নামনি অসমৰ তিৰোতাই পৰিধান কৰে। এই অলংকাৰবিধৰ নাম কি?

১৫। অসম বুৰঞ্জীৰ নামচেংখাম আৰু নাখামচেন বুলিও জনাজাত প্ৰখ্যাত সাহসী মহিলাগৰাকীৰ চিনাকি নাম কি?

১৬। ৰবীন দে নামৰ ব্যক্তিজনে ছদ্মনামত এলানি প্ৰসিদ্ধ ৰহস্য উপন্যাস লিখিছিল। ছদ্মনামটো কি আৰু উপন্যাস ছিৰিজটোৰ নাম কি?

১৭। কামৰূপৰ কোন ৰজাৰ দিনত চীনা পৰিব্ৰাজক হিউৱেন চাং অসমলৈ আহিছিল?

১৮। তেজপুৰৰ সমীপত থকা কলীয়া ভোমোৰা দলংখনে কোন দুটা ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰিছে?

১৯। কছাৰী ৰজাৰ ৰাজধানী ডিমাপুৰ আহোমৰ দখললৈ যোৱাত কছাৰীসকলে মাহুৰ নৈৰ সমীপৰ এখন ঠাইত ৰাজধানী পাতে। ঠাইখনৰ নাম কি?

২০। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰৱেশিকা পৰীক্ষাত দৰং জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পোৱাৰ বাবে কি বঁটা লাভ কৰিছিল?

২১। ১৯৭২ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ অধিৱেশনৰ সভাপতিগৰাকী 'পচোৱা' নামৰ আলোচনী এখনৰ সম্পাদক আছিল। কোন তেওঁ? ❖

**■ সংগ্ৰহ : সীমান্ত কলিতা**

# আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকৰ ইতিহাস

■ অপৰ্ণা দেৱী

বিশ্বৰ প্ৰত্যেকখন দেশৰে এটা ৰাষ্ট্ৰীয় প্ৰতীক আছে। এখন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক সেই দেশখনৰ ইতিহাস আৰু সংস্কৃতিৰ পৰিচায়ক।

আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক হ'ল অশোক স্তম্ভ। ঠিক সেইদৰে ফ্ৰান্সৰ লিলি, অষ্ট্ৰেলিয়াৰ কেংগাৰু, ইৰাকৰ ঈগল, ইংলেণ্ডৰ গোলাপ, কানাডাৰ বগা পদুম ফুল, পাকিস্তানৰ অৰ্ধচন্দ্ৰ ইত্যাদি। ৰাষ্ট্ৰীয় প্ৰতীকক সমগ্ৰ দেশবাসীয়ে সন্মান জনায়। ৰাষ্ট্ৰীয় প্ৰতীকক আমাৰ ৰাষ্ট্ৰীয় সংহতিৰো প্ৰতীক হিচাপে গণ্য কৰা হয়।



सत्यमेव जयते

আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকত এখন পীৰাৰ ওপৰত বহি থকা চাৰিটা সিংহৰ প্ৰতিমূৰ্তি আছে। সমুখৰ পৰা অৰশ্যে তিনিটা সিংহহে দেখা যায়। সেই সিংহ চাৰিটা ক্ষমতা, সাহস, গৰ্ব আৰু বিশ্বাসৰ প্ৰতীক। পীৰাৰ সমুখৰ ফালে মাজভাগত এটা ধৰ্ম চক্ৰ আছে। সেই ধৰ্ম চক্ৰটোৰ সোঁফালে এটা ষাঁড় গৰু আৰু বাঁওফালে এটা ঘোঁৰা আছে। প্ৰতীকটোৰ তলত দেৱনাগৰী লিপিত 'সত্যমেৱ জয়তে' অৰ্থাৎ সত্যৰ সদায় জয় বুলি কথাষাৰ লিখা আছে। প্ৰতীকটোৰ অন্তৰ্ভুক্ত হোৱা জন্তুবোৰে বুদ্ধৰ জীৱনৰ বিভিন্ন পৰ্য্যায় নিৰ্দেশ কৰে বুলি বৌদ্ধ ধৰ্মাৱলম্বীসকলে কয়। এচামে আকৌ মহাৰাজ অশোকৰ ৰাজ্যৰ চাৰিটা ভৌগোলিক দিশ প্ৰতিফলিত কৰাৰ কথা কয়। সাৰনাথত থকা অশোকৰ স্তম্ভৰ পৰাই ৰাষ্ট্ৰীয় প্ৰতীকৰ ধাৰণাটো লোৱা হৈছে।

আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকটো ভাৰত চৰকাৰৰ চৰকাৰী প্ৰতীক। এই প্ৰতীকটো ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰমুখ্যে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কাৰ্য্যালয়ৰ মোহৰত খোদিত থাকে। চৰকাৰী কাৰ্য্যালয়ৰ নথি-পত্ৰত ৰাষ্ট্ৰীয় প্ৰতীকটোক আমাৰ দেশত মোহৰ হিচাপে ব্যৱহাৰ কৰা হয়। ভাৰত গণৰাজ্যক প্ৰতিনিধিত্ব কৰাৰ বাবে আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকটোক স্বীকৃতি দিয়া হৈছে। পাৰপত্ৰ আৰু আন্তৰ্জাতিক নথি-পত্ৰতো আমাৰ ৰাষ্ট্ৰীয় প্ৰতীকৰ মোহৰ মাৰিব লাগে।

আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীকটোৰ আৰ্হি প্ৰস্তুত কৰিছিল দীননাথ ভাৰ্গৱ নামৰ এগৰাকী চিত্ৰকৰে। শান্তি নিকেতনৰ প্ৰখ্যাত চিত্ৰকৰ নন্দলাল বোসৰ ছাত্ৰ আছিল দীননাথ ভাৰ্গৱ। ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰতীয় সংবিধানৰ মূল সংস্কৰণটোৰ সৌন্দৰ্য্য বৰ্ধনৰ দায়িত্ব দিছিল সেই সময়ৰ কলা ভৱনৰ বা শান্তি নিকেতনৰ অধ্যক্ষ নন্দলাল বোসক। নন্দলাল বোসে তেওঁৰ ছাত্ৰ ২১ বছৰীয়া দীননাথ ভাৰ্গৱৰ সহায় লৈছিল। সংবিধানৰ প্ৰথম পৃষ্ঠাত অশোক স্তম্ভৰ আৰ্হি সংযোজন কৰিছিল নন্দলাল বোসে দীননাথৰ সহায়ত। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সত্যমেৱ জয়তে নীতি সম্বলিত সিংহৰ প্ৰতিমূৰ্তি খোদিত অশোক স্তম্ভ ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীক হিচাপে গ্ৰহণ কৰা হয়।

আমাৰ দেশৰ প্ৰত্যেকগৰাকী নাগৰিকে ৰাষ্ট্ৰীয় প্ৰতীক, ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় সংগীত, ৰাষ্ট্ৰীয় দিৱস ইত্যাদিৰ প্ৰতি সদায় আনুগত্য প্ৰকাশ কৰিব লাগে। আমি আমাৰ দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক, ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় দিৱসসমূহক লৈ গৰ্ব কৰাৰ স্থল আছে আৰু ভৱিষ্যতেও থাকিব। আমাক গৌৰৱান্বিত কৰা প্ৰতীক চিহ্নসমূহকো আমি সু-সংৰক্ষিত কৰাৰ চেষ্টা কৰিব লাগে। ❖

# লোকপিয়লৰ কথা

■ অভিজিত শৰ্মা বৰুৱা

পিয়ল হ'ল এক নিৰ্দিষ্ট জনবসতিৰ লোকসকলৰ বিষয়ে তথ্যসমূহ প্ৰণালীবদ্ধভাৱে সংগ্ৰহ কৰা, গণনা কৰা, বিশ্লেষণ কৰা আৰু লিপিবদ্ধ কৰাৰ এক পদ্ধতি। পিয়ল বা 'চেন্সাছ' (Census) শব্দটোৱে সাধাৰণতে লোকপিয়লকে বুজায় যদিও কৃষি, পৰম্পৰাগত সংস্কৃতি, ব্যৱসায়, যোগান, ট্ৰেফিক আদি নানা বিষয়ত পিয়ল হ'ব পাৰে। আমিও ইয়াত পিয়ল বুলি কওঁতে 'নেশ্বনেল পপুলেশ্বন এণ্ড হাউছিং চেন্সাছ'ৰ লগত সম্পৰ্কিত লোকপিয়লৰ কথাই বুজাম।

পিয়ল বুজোৱা Census শব্দটো লেটিন ভাষাৰ 'censere' (অৰ্থ—গণনা কৰা) শব্দৰ পৰা আহিছে। ৰোমান সাম্ৰাজ্যৰ কালছোৱাত সামৰিক সেৱা আগবঢ়োৱা প্ৰাপ্তবয়স্ক পুৰুষসকলৰ এখন তালিকা কৰা হৈছিল আৰু এই কামক censere বুলি কোৱা হৈছিল।

## আন্তৰ্জাতিক পিয়ল পদ্ধতি

ৰাষ্ট্ৰসংঘই 'পপুলেশ্বন এণ্ড হাউছিং চেন্সাছ'ত থাকিবলগীয়া প্ৰয়োজনীয় তথ্যসমূহৰ কথা উল্লেখ কৰিছে। তাত আছে—কি কি বিষয়ত প্ৰশ্ন সুধিব লাগিব, সেই বিষয়বোৰৰ সংজ্ঞা কি, শ্ৰেণীবিভাগবোৰ কিহৰ ভিত্তিত কৰিব লাগিব, ইত্যাদি। লোকপিয়লে প্ৰকৃততে কেৱল মানুহ গণনাই নকৰে, জনগাঁথনি সম্পৰ্কত চৰকাৰ বা আন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ বাবে প্ৰয়োজনীয় আন বহুতো তথ্যও সংগ্ৰহ কৰে। প্ৰায় সকলো দেশেই ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা মানি চলা বাবে পিয়লে এক আন্তৰ্জাতিক সন্তুলন ৰক্ষা কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰসংঘই এই কথাও কৈছে যে প্ৰতিখন দেশত প্ৰতি দহ বছৰত অন্ততঃ এবাৰ পিয়ল হ'বই লাগিব। সেয়াও দেশসমূহে মানি চলে।

## ভাৰতত লোকপিয়ল

ভাৰতত প্ৰথম পিয়ল আৰম্ভ হৈছিল ব্ৰিটিছ ভাইচৰয় লৰ্ড মেয়োৰ দিনত ১৮৭২ চনত। তেতিয়া ভাৰত ব্ৰিটিছৰ অধীনত আছিল। অৱশ্যে সেই পিয়ল বিভিন্ন কাৰণত আধৰুৱা হৈ থাকিল আৰু ১৮৮১ চনতহে প্ৰথম পূৰ্ণাংগ পিয়ল সম্পন্ন হ'ল। ২০১১ চনলৈকে ভাৰতত মুঠ ১৫ বাৰ লোকপিয়ল হৈছে। প্ৰতি ১০ বছৰৰ মূৰে মূৰে এই পিয়ল কৰা হয়। ১৯৫১ চনৰ পৰা সকলো পিয়ল ১৯৪৮ চনৰ 'চেন্সাছ অব ইণ্ডিয়া এক্ট'ৰ অধীনত কৰা হৈছে। ১৯৪৯ চনত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনৰ 'ৰেজিষ্ট্ৰাৰ জেনেৰেল এণ্ড কমিছনাৰ অব ইণ্ডিয়া'ক পিয়লৰ কৰ্তৃত্ব দিয়া হয়। তেতিয়াৰে পৰা তেওঁলোকেই লোকপিয়ল কৰাৰ দায়িত্ব পালন কৰি আহিছে। যিহেতু ঘৰে ঘৰে গৈ পিয়ল কৰাৰ বাবে যথেষ্টসংখ্যক লোকৰ প্ৰয়োজন হয়, সেইবাবে পিয়লৰ সময়ত আন কামত নিযুক্ত যথেষ্টসংখ্যক চৰকাৰী কৰ্মচাৰী, শিক্ষক আদিক উপযুক্ত প্ৰশিক্ষণ দি এই কামত নিয়োজিত কৰা হয়। তথ্যসমূহ সংগ্ৰহ কৰি দিয়াৰ পাছত তেওঁলোক নিজ নিজ কামলৈ যায়গৈ আৰু বিভাগীয় লোকসকল বা কৰ্তৃত্বপ্ৰাপ্ত সংস্থাই বাকী বিশ্লেষণমূলক কামসমূহ সম্পন্ন কৰে। ভাৰতত শেহতীয়া লোকপিয়ল সম্পন্ন হৈছিল ২০১১ চনত। ২০২১ চনত পুনৰ লোকপিয়ল হ'ব লাগিছিল যদিও ক'ভিড অতিমাৰী পৰিস্থিতিৰ বাবে এই পিয়ল পিছুৱাই দিয়া হৈছে।

## বিভিন্ন প্ৰকাৰৰ বিচিত্ৰ তথ্য

লোকপিয়লত মানুহৰ সংখ্যা গণনা কৰাতো হয়েই, তদুপৰি আন বহুতো তথ্য সংগ্ৰহ কৰা হয়।

কোনো এক অঞ্চলত কিমান গৃহ আছে, গৃহসমূহৰ ভিতৰত মন্দিৰ, মছজিদ, আন উপাসনাগৃহ, স্কুল, কলেজ, ৰাজহুৱা অনুষ্ঠান আদি কিমান আছে, তাৰ কিমানত মানুহ থাকে, ঘৰসমূহৰ ভিতৰত মানুহৰ আবাসগৃহ কিমান, আবাসগৃহ হ'লেও খালী বা বন্ধ হৈ থকা, অৰ্থাৎ মানুহে বসবাস নকৰা ঘৰ কিমান আছে, কিমানত প্ৰকৃততে মানুহ থাকে, আবাসগৃহত থকা মানুহৰ নাম, বয়স, লিংগ, সম্পৰ্ক, জীৱিকা, ধৰ্ম, সম্প্ৰদায় কি আদি সকলোবোৰ তথ্য সংগ্ৰহ কৰা হয়। সেই অঞ্চল কোন ৰাজ্যৰ, কোন জিলাৰ, কোন মহকুমা, তহছিল আদিত পৰে বা সেয়া গাঁও নে নগৰ— সেইবোৰ তথ্যও সন্নিৱিষ্ট কৰা হয়।

কেৱল সেইবোৰেইনে? যদি কোনোবা ঘৰ মানুহৰ আবাসগৃহৰ উপৰি আন কামতো ব্যৱহাৰ কৰা হয়—তাৰ তথ্য, কোনবোৰ গৃহৰ অৱস্থা ভাল, কিমানসংখ্যক ঘৰ মানুহে সাধাৰণভাৱে বসবাস কৰিব পৰা বিধৰ, কিমান ঘৰ প্ৰকৃতাৰ্থত মানুহে বাস কৰাৰ অযোগ্য, কিন্তু মানুহ থাকে—সেইবোৰ তথ্যও পিয়লত সংগ্ৰহ কৰা হয়। আনহাতে ঘৰসমূহৰ চাল কেনেকুৱা, মানে খেৰ, নে এছবেছটছ, নে টিন, নে টাইলছ, নে কংক্ৰিট—সেইবোৰো পিয়লৰ বাবে প্ৰয়োজনীয় তথ্য। তদুপৰি ঘৰসমূহৰ মজিয়া বা বেৰ আদি কেনেকুৱা, সেইবোৰো পিয়লকাৰীসকলে লিপিবদ্ধ কৰিব লাগে। তোমালোকে জানি হয়তো আমোদো পাবা যে কিমানসংখ্যক ঘৰত সুকীয়াকৈ পাকঘৰ আছে, তাত খাদ্য ৰান্ধিবলৈ খৰি, চুলা, কেৰাছিন, এল পি জি, গোবৰ গেছ আদি কি ইন্ধন ব্যৱহাৰ কৰা হয়, পিয়লকাৰীসকলে সেইবোৰো লিখি ৰাখে।

**সমস্যাও বহুত**

পিয়লৰ ক্ষেত্ৰত মূল কথা হ'ল এই ক্ষেত্ৰত সংগ্ৰহ কৰিবলগীয়া জনসংখ্যা আৰু আন তথ্যসমূহৰ বিষয়ে আগতে কোনো ধাৰণা কৰি ল'ব নালাগে আৰু বিশ্লেষণো নতুনকৈ কৰিব লাগে। এতিয়া আগৰ পিয়ল পদ্ধতি ব্যৱহাৰ নহয় আৰু তাৰ ঠাইত আধুনিক পাৰিসাংখ্যিক প্ৰকল্প ব্যৱহাৰ কৰা হয়। বৰ্তমানৰ পদ্ধতিত প্ৰতি ঘৰলৈ এখন ফৰ্ম পঠিওৱা হয় আৰু ঘৰৰ মুৰব্বীয়ে সেইখন পূৰাব লাগে। তাৰ পাছত পিয়লকাৰীৰ এটা দল গৈ সেইবোৰ ভালদৰে সুধি-পুছি শুদ্ধ কৰি লয়। পাছে ছাত্ৰ-ছাত্ৰীৰ হোষ্টেল, পেয়িং গেষ্ট হাউছ, ধৰ্মীয় বাসস্থান, অ'ল্ড এজ হ'ম, কাৰাগাৰত থকা লোক আদিৰ ক্ষেত্ৰত কিছুমান সমস্যাই দেখা দিয়ে আৰু সেইবোৰৰ পিয়লৰ বাবে এক বিশেষ দল পঠিওৱা হয়। কোনো ছাত্ৰ যদি ঘৰত নাথাকি ক'ৰবাত 'পেয়িং গেষ্ট' হিচাপে থাকে, তেন্তে তেওঁৰ নাম দুয়ো ঠাইতে উঠাৰ সম্ভাৱনা থাকে। আনহাতে কোনো লোকে যদি চাকৰি সংক্ৰান্তত নিজৰ ঘৰৰ পৰা আঁতৰত আন এখন ঘৰত থাকে, তেতিয়াও তেনে ধৰণৰ সম্ভাৱনা থাকি যায়। সেইবাবে পিয়লত যি য'ত থাকে, তেওঁৰ নাম তাতে পিয়ল কৰাৰ এক পদ্ধতি অৱলম্বন কৰা হয়। (আহোম ৰজাই পাইকৰ হিচাপ কৰাৰ সময়ত এনে 'দেখিলেহে লেখিম' নীতি লৈছিল !) তথাপি কিছু ভুল থাকিয়েই যায়। পিয়ল শুদ্ধ কৰাৰ ক্ষেত্ৰত বিশেষজ্ঞসকলে বিভিন্ন পদ্ধতি গ্ৰহণ কৰিবলগীয়া হয়। ❖

# তোমালোকৰ বাবে প্ৰশ্ন


১। ৰায়'গ্ৰেণ্ডি শৈলশিৰা কোনখন মহাসাগৰৰ তলিত আছে?
২। আফ্ৰিকাৰ সৰ্ববৃহৎ হ্ৰদটোৰ নাম কি?
৩। এণ্টাৰ্কটিকাৰ সৰ্বোচ্চ বিন্দুটো কি?
৪। কেটমাই নামৰ সক্ৰিয় আগ্নেয়গিৰিটো ক'ত আছে?
৫। হিমবাহৰ গাত থকা ফাঁটক কি বোলে? ❖



বিহংগম দৃষ্টিত আইচবাৰ্গ A 76



আইচবাৰ্গ A 76ৰ এটা অংশ



বিটলছ্


প্ৰস্তাৱিত ধুবুৰী-ফুলবাৰী দলং